www.newsnextone.com
e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## মন্দিৰৰ পূজাৰী হওক হিমন্তঃ অখিল

ই-সংবাদ, সোণাৰি, ১২ ডিচেম্বৰঃ বিজেপিক পৰাভূত কৰিবলৈ হ'লে সকলো বিৰোধী তথা ৩ পৃষ্ঠাত চাওক

FRIDAY, DECEMBER 13, 2024 ■ শুকুৰবাৰ, ২৭ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৪০ Guwahati, Assam ।। মূল্যঃ এটকা

## অভিলেখ ৰচি বিশ্ব দবাত খিতাপ জয় ভাৰতৰ তাৰকা গোকেশৰ

ছিংগাপুৰ, ১২ ডিচেম্বৰঃ দবাখেলত এক নতুন ইতিহাস সৃষ্টি কৰিবলৈ সক্ষম হ'ল ভাৰতীয় দবা তাৰকা দোম্মাৰাজু গোকেশ। মাত্ৰ ১৮ বছৰ বয়সতে দবাখেলত শেষাংশ ২ পৃষ্ঠাত



বাস্তৱ হ'ল শৈশৱৰ সপোন... ১৮ বছৰ বয়সতে বিশ্ব চেম্পিয়ন খিতাপ জয় কৰি উল্লাস গোকেশৰ, ছিংগাপুৰত

## ২০২৪ বৰ্ষত কৰ্মৰত অৱস্থাতে বিশ্বত ৫৪ জন সাংবাদিকক হত্যা

নিউয়ৰ্ক, ১২ ডিচেম্বৰঃ সমগ্ৰ বিশ্বজুৰি অব্যাহত আছে সাংবাদিক নিগ্ৰহৰ ঘটনা। খবৰ আৰু সত্যাৰ সন্ধান কৰিবলৈ গ'ল বছৰি প্ৰাণ হেৰুৱালগীয়া হৈছে বহু সাংবাদিকে। শেষাংশ ৩ পৃষ্ঠাত


## সাম্প্ৰদায়িক বিষবাষ্প বিয়পি পৰাৰ সময়তে সৰ্বোচ্চ আদালতৰ বিশেষ নিৰ্দেশ

# মন্দিৰ-মছজিদৰ 'ছাৰ্ভে'ত স্থগিতাদেশ

■ উপাসনাস্থল আইন সম্পৰ্কীয় গোচৰ মীমাংসা নোহোৱা পৰ্যন্ত বাহাল থাকিব এই নিৰ্দেশ, নতুন গোচৰো নহ'ব ৰুজু

নতুন দিল্লী, ১২ ডিচেম্বৰঃ দেশৰ সকলো মন্দিৰ, মছজিদ, গীৰ্জাৰ জৰীপ আৰু গোচৰসমূহ আপাততঃ স্থগিত ৰখাৰ নিৰ্দেশ প্ৰদান কৰে সৰ্বোচ্চ শেষাংশ ২ পৃষ্ঠাত

## অতিথিশালা বিক্ৰী কৰিবলৈ দিয়া নহ'ব!




বিতং বাতৰি ৬ পৃষ্ঠাত

## 'কা' আন্দোলনৰ পঞ্চ শ্বহীদক ৰাজ্যৰ ভিন্নপ্ৰান্তত স্মৰণ

ই-সংবাদ, ১২ ডিচেম্বৰঃ 'কা' বিৰোধী আন্দোলনে পাঁচটা বছৰ অতিক্ৰম কৰিলে। কেন্দ্ৰীয় চৰকাৰে জোৰকৈ অসম আৰু উত্তৰ-পূৰ্বাঞ্চলে নিবিচাৰা আইন জাপি শেষাংশ ৬ পৃষ্ঠাত

## অসমবাসীক পুনৰ আশা দিলে গাডকাৰীয়ে

### ফেব্ৰুৱাৰীত ৰাস্তা হ'বই

ই-সংবাদ, ১২ ডিচেম্বৰঃ আজি লোকসভাত যোৰহাটৰ সাংসদ গৌৰৱ গগৈৰ এক প্ৰশ্নৰ উত্তৰ দি কেন্দ্ৰীয় পথ-পৰিবহন মন্ত্ৰী নীতিন শেষাংশ ৪ পৃষ্ঠাত

## ক'লে মুখ্যমন্ত্ৰী হিমন্ত বিশ্বই এক দেশ এক নিৰ্বাচনলৈ সমৰ্থন



ই-সংবাদ, ১২ ডিচেম্বৰঃ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দক অধ্যক্ষ হিচাপে লৈ গঠিত উচ্চস্তৰীয় সমিতিয়ে দাখিল কৰা বিশেষ শেষাংশ ৪ পৃষ্ঠাত

## ৰাজীৱ ভৱনত যোগদানৰ সভা

ই-সংবাদ, ১২ ডিচেম্বৰঃ উপ-নিৰ্বাচনত কংগ্ৰেছে বিৰোধীক এখন আসন শেষাংশ ৫ পৃষ্ঠাত

## শিৱসাগৰৰ পাচলি ডুবাইলৈ

ই-সংবাদ, শিৱসাগৰ, ১২ ডিচেম্বৰঃ অসমৰ শাক-পাচলিয়ে চাহিদা পূৰণ কৰিব ডুবাইৰ শেষাংশ ৫ পৃষ্ঠাত

## 'এক দেশ এক নিৰ্বাচন'লৈ কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন! জেপিচিলৈ প্ৰেৰণৰ যো-জা

নতুন দিল্লী, ১২ ডিচেম্বৰঃ সমগ্ৰ দেশতে একেলগে লোকসভা আৰু বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ দিশত আন এক পদক্ষেপ গ্ৰহণ কৰিছে শেষাংশ ২ পৃষ্ঠাত



## অসংসদীয় বক্তব্য! বিটিচিৰ শীতকালীন অধিৱেশন উত্তপ্ত

### দুখন বিশেষ বিল উপস্থাপন

ই-সংবাদ, কোকৰাঝাৰ, ১২ ডিচেম্বৰঃ কোকৰাঝাৰস্থিত বড়োলেণ্ড প্ৰাদেশীয় বিধানসভা পৰিষদীয় ভৱনত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ শেষাংশ ৩ পৃষ্ঠাত

## জইছৰ সন্দেহযুক্ত চাৰি সদস্য পৰিল জালত

## গোৱালপাৰাত নিশা চলিল এনআইএৰ অভিযান

ই-সংবাদ, ১২ ডিচেম্বৰঃ ৰাজ্যৰ শাসকীয় পক্ষই ধৰ্মবিশেষক টাৰ্গেট কৰি লৈ ৰাজনীতি কৰি অহাৰ সময়তে ৰাজ্যত শেষাংশ ৪ পৃষ্ঠাত





## গুৱাহাটীত ৭টাকৈ স্থানত বোমাতংক

ই-সংবাদ, ১২ ডিচেম্বৰঃ বুধবাৰে ওৰে নিশা নামনি অসমৰ গোৱালপাৰা জিলাত নিষিদ্ধ সন্ত্ৰাসবাদী শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্দিৰ-মছজিদক লৈ আৰু নচলিব

ন্যায়ালয়ে। উপসনাস্থলীৰ সৈতে জড়িত বৰ্তমানৰ গোচৰসমূহ নিষ্পত্তি নোহোৱালৈকে কোনো নতুন গোচৰ গ্ৰহণ কৰা নহ'ব বুলি প্ৰকাশ কৰে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে। একে সময়তে নিম্ন আদালত আৰু উচ্চ ন্যায়ালয়কো এই সন্দৰ্ভত কোনো গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰাত বাধা দিয়া হৈছে। উল্লেখ্য যে, বৃহস্পতিবাৰে ১৯৯১ চনৰ উপাসনাস্থলী (বিশেষ ব্যৱস্থা) আইন সলনি কৰাৰ দাবীত আদালতত তৰা কেইবাটাও গোচৰৰ শুনানি গ্ৰহণ কৰে উচ্চতম ন্যায়ালয়ে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ পিভি সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কেভি বিশ্বনাথনৰ নেতৃত্বত এখন বিচাৰপীঠে এই আবেদনসমূহৰ শুনানি গ্ৰহণ কৰে। উপাসনাস্থলী সন্দৰ্ভত দেশত চলি থকা সকলো জৰীপ আৰু গোচৰ স্থগিত ৰখা হ'ব বুলি বিচাৰপীঠে প্ৰকাশ কৰে। একে সময়তে উপাসনাস্থলীৰ সৈতে জড়িত নতুন কোনো গোচৰৰ শুনানি নিম্ন আদালতে গ্ৰহণ কৰিব নোৱাৰিব বুলিও নিৰ্দেশ দিয়ে সৰ্বোচ্চ ন্যায়ালয়ে। আদালতে কয় যে, উচ্চতম ন্যায়ালয়ত উপসনাস্থলী আইনৰ গোচৰৰ সমাধান নোহোৱালৈকে এই স্থগিতাদেশ বাহাল থাকিব। অন্যহাতে বৃহস্পতিবাৰে শুনানিৰ সময়ত উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰৰ পৰাও প্ৰতিবেদন বিচাৰে। আদালতে পূৰ্বেই কেন্দ্ৰক নিজৰ স্থিতি স্পষ্ট কৰিবলৈ নিৰ্দেশ দিছিল যদিও কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈকে কোনো সুনিৰ্দিষ্ট বক্তব্য আদালতত দাখিল কৰিব পৰা নাই। মন কৰিবলগীয়া যে ১৯৯১ চনৰ উপাসনাস্থলী আইন অনুসৰি স্বাধীনতাৰ সময়ত ১৯৪৭ চনৰ ১৫ আগষ্টত যিদৰে আছিল মন্দিৰ-মছজিদ বা গীৰ্জাঘৰ অপৰিবৰ্তিত ৰাখিব লাগিব। কিন্তু এই আইন সলনি কৰাৰ দাবীত উচ্চতম ন্যায়ালয়ত কেইবাখনো আবেদন দাখিল কৰা হয়। আবেদনকাৰীসকলে দাবী কৰে যে এই আইনখনে হিন্দুসকলৰ সাংবিধানিক অধিকাৰক ভেঙুচালি কৰাৰ লগতে তেওঁলোকৰ ধৰ্মীয় স্থানৰ ঐতিহাসিক চৰিত্ৰ পুনৰুদ্ধাৰ কৰাত বাধা দিয়ে। প্ৰণিধানযোগ্য যে, শেহতীয়াকৈ উত্তৰ প্ৰদেশৰ চম্ভলত এটা আদালতৰ নিৰ্দেশমৰ্মে এটা মছজিদৰ জৰীপৰ সময়ত সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিত ৫ জন লোক নিহত হোৱাৰ উপৰিও চল্লিশ জনৰো অধিক লোক আহত হৈছিল। এই ঘটনাক কেন্দ্ৰ কৰি দেশত ৰাজনৈতিক আৰু সাম্প্ৰদায়িক উত্তেজনা অব্যাহত থকাৰ সময়তে উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশ গুৰুত্বপূৰ্ণ বিবেচিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিলেখ ৰচি বিশ্ব দবাত খিতাপ

বিশ্বৰ সৰ্বকনিষ্ঠ বিশ্ব চেম্পিয়ন হৈ এক অনন্য অভিলেখ গঢ়িছে গোকেশ। বৃহস্পতিবাৰে ছিংগাপুৰত অনুষ্ঠিত চূড়ান্ত খেলখনত চীনৰ ডিং লিৰেনক ৭.৫-৬.৫ ব্যৱধানত পৰাস্ত কৰি এই অভূতপূৰ্ব সফলতা লাভ কৰে গোকেশে। চূড়ান্ত খেলখন আছিল শ্বাসৰুদ্ধকৰ। ১৩ ৰাউণ্ডলৈকে দুয়োগৰাকী প্ৰতিদ্বন্দ্বী খেলুৱৈৰ পইণ্ট সমান সমান হৈ আছিল। কিন্তু শেষৰ ৰাউণ্ডত ডিং লিৰেনৰ ভুল সিদ্ধান্তই গোকেশৰ প্ৰত্যাৱৰ্তন সহজ কৰি তোলে। সময়ৰ চাপত লিৰেনে ৪৯ নং চালত ভুল কৰিছিল, যাৰ সুযোগ লয় গোকেশে। পৰিণতিত গুকেশৰ ৫০ নং চালত পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হৈ চীনৰ লিৰেনে। এই জয়েৰে গোকেশ কেৱল বিশ্ব চেম্পিয়ন হোৱাই নহয়, সৰ্বকনিষ্ঠ বিশ্ব চেম্পিয়ন হিচাপে ৰাছিয়াৰ ছাৰ্জেই কাৰ্জাকিনৰ অভিলেখো ভংগ কৰিবলৈ সক্ষম হয়। প্ৰণিধানযোগ্য যে, চেন্নাইত জন্মগ্ৰহণ কৰা গোকেশে ৭ বছৰ বয়সৰ পৰাই দবা খেলিবলৈ আৰম্ভ কৰিছিল আৰু ১২ বছৰ ৭ মাহ বয়সতে গ্ৰেণ্ডমাষ্টাৰ হৈছিল। ভাৰতৰ প্ৰথমজন গ্ৰেণ্ডমাষ্টাৰ বিশ্বনাথন আনন্দৰ পদাংক অনুসৰণ কৰি তেওঁ আজি দেশৰ শীৰ্ষ দবা খেলুৱৈ হিচাপে পৰিগণিত হৈছে। ১১ বছৰ বয়সত এক সাক্ষাৎকাৰত গোকেশ বিশ্ব চেম্পিয়ন হোৱাৰ সপোনৰ কথা কৈছিল আৰু এতিয়া ১৮ বছৰ বয়সতে সেই সপোন তেওঁ বাস্তৱলৈ ৰূপান্তৰিত কৰি এক অনন্য নজিৰ গঢ়িবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে গোকেশক তেওঁৰ সফলতাৰ বাবে অভিনন্দন জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লিখিছে, 'গোকেশক কনিষ্ঠ হিচাপে বিশ্ব দবা চেম্পিয়নশ্বিপ জয় কৰাৰ বাবে অভিনন্দন। তেওঁৰ এই বিজয়ে ভাৰতক গৌৰৱান্বিত কৰি তুলিছে। গোকেশৰ এই সফলতাই ভাৰতক দবাৰ শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিছে। ভৱিষ্যতে তেওঁ আৰু অধিক সফলতা লাভ কৰিব বুলি আশা কৰিলোঁ।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অভিনন্দন জ্ঞাপন কৰে গোকেশক। তেওঁ কয়, 'গোকেশৰ এই বিজয়ে ভাৰতৰ গৌৰৱ বৃদ্ধি কৰাই নহয়, নতুন প্ৰজন্মৰ বাবে এক বৃহৎ প্ৰেৰণা হৈ পৰিছে। ভাৰতীয় দবাখেলে আজি বিশ্বৰ দৰবাৰত নতুন দিগন্ত মুকলি কৰিছে।" উল্লেখ্য যে, গোকেশৰ এই সফলতাই ভাৰতীয় দবা মহলত আনন্দৰ বন্যা নমাইছে। তেওঁৰ এই সাফল্যই দেশক গৌৰৱান্বিত কৰাৰ সমান্তৰালভাৱে নতুন প্ৰজন্মকো সপোন দেখাৰ সাহস প্ৰদান কৰিছে। এয়া দেশবাসীৰ বাবে গৌৰৱৰ ক্ষণ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'এক দেশ এক নিৰ্বাচন'লৈ কেন্দ্ৰীয়

কেন্দ্ৰীয় চৰকাৰে। বৃহস্পতিবাৰে কেন্দ্ৰীয় কেবিনেটে 'এক দেশ, এক নিৰ্বাচন' নীতিক সেউজ সংকেত দিয়ে। সূত্ৰৰ পৰা জানিব পৰা মতে, চলিত শীতকালীন অধিবেশনতেই এই সন্দৰ্ভত বিধেয়কখন কেন্দ্ৰই দাখিল কৰিব পাৰে। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে শেহতীয়াকৈ কেইবাখনো বৈঠকত এই নীতিৰ পোষকতা কৰিছে। তেওঁৰ মতে, সঘনাই হোৱা নিৰ্বাচনৰ বাবে দেশৰ উন্নয়ন ব্যাহত হৈ আছে। উল্লেখ্য যে, বিজেপিয়ে দীৰ্ঘদিন ধৰি 'এখন দেশ, এখন নিৰ্বাচন' নীতিৰ সমৰ্থক হৈ আহিছে। লোকসভা নিৰ্বাচনৰ পূৰ্বে তেওঁলোকৰ নিৰ্বাচনী ইস্তাহাৰতো এই কথা উল্লেখ কৰা হৈছিল। এই নীতি কাৰ্যকৰী হ'লে নিৰ্বাচনী প্ৰক্ৰিয়াত ব্যয় কৰা বিপুল পৰিমাণৰ ধন ৰাহি হ'ব বুলি দাবী কৰে বিজেপিয়ে। লগতে ভোটদানৰ আচৰণ বিধিৰ বাবে উন্নয়নমূলক কাম বাৰে বাৰে বন্ধ নহ'ব। চৰকাৰী কৰ্মচাৰীৰ ওপৰত ভোটগ্ৰহণ সম্পৰ্কীয় অতিৰিক্ত চাপো হ্ৰাস পাব। ইতিমধ্যে এই নীতিৰ সম্ভাৱনীয়তা পৰীক্ষাৰ বাবে কেন্দ্ৰই কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। এই সন্দৰ্ভত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নেতৃত্বত গঠিত সমিতিখনে বিতং প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনত লোকসভা, বিধান সভা, পঞ্চায়ত আৰু পৌৰসভাৰ নিৰ্বাচন একে সময়তে অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিয়া হৈছিল। কিন্তু বিৰোধী দলসমূহে এই নীতিৰ তীব্ৰ বিৰোধিতা কৰিছে। তেওঁলোকৰ মতে, ই দেশৰ ফেডাৰেল গাঁথনি আৰু সংসদীয় গণতন্ত্ৰৰ বিৰোধী। বিৰোধী নেতৃত্বই অভিযোগ উত্থাপন কৰে যে কেন্দ্ৰই আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ দৰেই ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ চেষ্টা কৰিছে। ইয়াৰ বিপৰীতে, কেন্দ্ৰই বিধেয়কখন আলোচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰাৰ কথা চিন্তা কৰিছে। অৱশ্যে তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে বিধেয়কখনক অসাংবিধানিক আখ্যা দি বিৰোধিতা কৰে। তেওঁ দাবী কৰে যে এই নীতি কেন্দ্ৰৰ আধিপত্যবাদী মনোভাৱৰ প্ৰকাশ আৰু বিৰোধীৰ মতামতক আওকাণ কৰা হৈছে। লগতে তেওঁ কয় যে তৃণমূলৰ সাংসদসকলে সংসদত এই বিধেয়কখনৰ বিৰোধিতা কৰিব। সূত্ৰ অনুসৰি 'এক দেশ, এক নিৰ্বাচন' বিধেয়কক লৈ দেশৰ ৰাজনৈতিক মহলত আলোচনা আৰু বিতৰ্ক অব্যাহত থাকিব।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৪ বৰ্ষত কৰ্মৰত অৱস্থাতে বিশ্বত

২০২৩ চনৰ ১ ডিচেম্বৰ পৰ্যন্ত বিশ্বৰ বিভিন্ন প্ৰান্তত সংঘাতৰ পৰিস্থিতিত কাম কৰি থকা অৱস্থাত ৫৪ জন সাংবাদিক নিহত হৈছে। ইয়াৰে এক তৃতীয়াংশতকৈ অধিক সাংবাদিকে প্ৰাণ হেৰুৱাইছে ইজৰাইলী সেনাৰ গুলীত। এই ভয়ংকৰ তথ্য প্ৰকাশ পাইছে আন্তঃৰাষ্ট্ৰীয় সংবাদ সংস্থা এ এফ পিৰ এক প্ৰতিবেদনত। সাংবাদিকৰ অধিকাৰ ৰক্ষা কৰা আন্তঃৰাষ্ট্ৰীয় সংস্থা ৰিপ'ৰ্টাৰ্ছ উইদাউট বৰ্ডাৰছ (আৰ এছ এফ)ৰ মতে নিহত হোৱা ৫৪ জন সাংবাদিকৰ ভিতৰত ১৮ জন ইজৰাইলী বাহিনীয়ে হত্যা কৰিছে। বিশেষকৈ গাজা আৰু লেবাননক এই বছৰ সাংবাদিকসকলৰ বাবে আটাইতকৈ বিপজ্জনক অঞ্চল হিচাপে চিনাক্ত কৰা হৈছে। গাজাত ১৬ জন সাংবাদিক আৰু লেবাননত ২ জন সাংবাদিক নিহত হৈছে। সাংবাদিক হত্যাৰ ক্ষেত্ৰত দ্বিতীয় স্থানতে আছে চুবুৰীয়া দেশ পাকিস্তান। তথ্য অনুসৰি, বিগত এটা বছৰত দেশখনত সাতজন সাংবাদিকক হত্যা কৰা হৈছে। আনহাতে মেক্সিকো আৰু বাংলাদেশত প্ৰাণ হেৰুৱাইছে ৫ জনকৈ সাংবাদিকে। বৰ্তমান সমগ্ৰ বিশ্বতে পণবন্দী কৰি ৰখা হৈছে ৫৫জন সাংবাদিকক। ইয়াৰে ২৫জন সাংবাদিক বন্দী হৈ আছে ইছলামিক ষ্টেট (আই এছ) বা আন উগ্ৰপন্থী সংগঠনৰ হাতত। ইয়াৰ উপৰিও বিশ্বৰ তিনিখন দেশ চীন, ম্যানমাৰ আৰু ইজৰাইলত সৰ্বাধিক সাংবাদিকক কাৰাগাৰত বন্দী কৰা হৈছে। চীনত ১২৪জন, ম্যানমাৰত ৬১জন আৰু ইজৰাইলত ৪১জন সাংবাদিকক আটক কৰি ৰখা হৈছে। শেহতীয়াকৈ প্ৰকাশিত এই তথ্যই স্পষ্ট কৰিছে যে সাংবাদিকৰ জীৱন কেৱল পেছাদাৰী কৰ্তব্য পালন কৰাতকৈ এতিয়া যুদ্ধসদৃশ পৰিস্থিতিত পৰিণত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসংসদীয় বক্তব্য! বিটিচিৰ শীতকালীন

হৈছে বিটিচিৰ শীতকালীন অধিৱেশন। আজি প্ৰথম দিনা সদনৰ মজিয়াত শাসক আৰু বিৰোধীৰ মাজত কেইবাটাও বিষয়ৰ ওপৰত বাক-বিতণ্ডাৰ মাজতে ৰাজ্যপালৰ অনুমতি মৰ্মে সদনত শাসকপক্ষই দুখন বিশেষ আইন ক্ৰমে ভূমি আৰু ৰাজহ বিভাগৰ বিটিচি ভূমি আৰু ৰাজহ ৰেগুলেচন বিল (প্ৰায়োগিক আৰু সংশোধন) ২০২৪ আৰু ফ্লাড প্লেইন জনিং বিল, ২০২৪ সদনত উপস্থাপন কৰে। উক্ত বিল দুখন কাইলৈ সদনৰ মজিয়াত গৃহীত কৰা হ'ব। বিটিচিৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যক্ৰমনিকাৰ পিছত সংবাদমাধ্যমৰ আগত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে কয় যে আজি সদনত উপস্থাপন হোৱা বিল দুখন কাইলৈ সদনৰ মজিয়াত গৃহীত হ'লে ৰাইজৰ বহু সমস্যাৰ সমাধান হ'ব। দীৰ্ঘদিন ধৰি মাটি-বাৰীৰ সমস্যাটো বিটিআৰ এলেকাত ডাঙৰ সমস্যা হিচাপে বিবেচিত হৈ আছিল আৰু বিটিচি ভূমি আৰু ৰাজহ ৰেগুলেচন বিল-২০২৪ গৃহীত হোৱাৰ পিছত ৰাইজৰ মাটি-বাৰীৰ সমস্যা নাথাকিব বুলি মন্তব্য কৰিছে প্ৰমোদ বড়োৱে। ইতিমধ্যে ২ লাখ ৫৯ হাজাৰ লোকৰ ভূমিৰ সমস্যা সমাধান কৰা বুলি দাবী কৰিছে প্ৰমোদ বড়োৱে। ইপিনে বিটিচি শীতকালিন অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যক্ৰমনিকাৰ অন্তত বিৰোধী দলপতি দেৱহাছাৎ বসুমতাৰীয়ে বিটিচি চৰকাৰে বিটিআৰ চুক্তিৰ দফাসমূহ ৰূপায়ন কৰিবলৈ সক্ষম হোৱা নাই বুলি অসন্তুষ্টি ব্যক্ত কৰিছে। আজি সদনৰ মজিয়াত প্ৰমোদ বড়োৱেও অতি কম সময়ৰ ভিতৰত বিটিআৰ চুক্তিৰ সকলো দফা ৰূপায়ন কৰাটো সম্ভৱ নহয় বুলি মন্তব্য কৰা বুলি প্ৰকাশ কৰিছে দেৱহাছাৎ বসুমতাৰীয়ে। বিৰোধী দলপতি দেৱহাছাৎ বসুমতাৰীয়ে অভিযোগ কৰে যে যদিওবা প্ৰমোদ বড়োৱে ২.৫০ লাখৰো অধিক ভূমিৰ সমস্যা সমাধান কৰা বুলি কৈছে বাস্তৱত কিন্তু একো তথ্য দিব পৰা নাই। বিষয়টোত খেলিমেলি আছে বুলি মন্তব্য কৰিছে দেৱহাছাৎ বসুমতাৰীয়ে। আনহাতে বিটিচিৰ এমচিএলএ মুনমুন ব্ৰহ্মৰ এক প্ৰশ্নত্তোৰক কেন্দ্ৰ কৰি সদনত বাক-বিতণ্ডাৰ সৃষ্টি হয়। খোৱাঘাট ৰেঞ্জ অফিচ বাশবাৰী বা অইন ঠাইলৈ স্থান্তান্তৰ হ'ব নেকি বুলি সোধা এক প্ৰশ্নোত্তৰত বনবিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে কয় যে ইয়াৰ কাৰণ সন্দৰ্ভত তেওঁ বড়ো ভাষাতহে উত্তৰ দিব। বিৰোধী দলপতি দেৱহাছাৎ বসুমতাৰীয়ে সদৰি কৰা মতে কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে আজি সদনত বড়ো ভাষাত অসংসদীয়, অগণতান্ত্ৰিক, অসাংবিধানিক বক্তব্য প্ৰদান কৰাৰ উপৰিও কাৰ্যালয়বোৰ অবড়ো এলেকাৰ পৰা বড়োপ্ৰধান এলেকালৈ নিব লাগে বুলি সদনত বড়ো ভাষাত কৈছে। এই সন্দৰ্ভত ৰঞ্জিত বসুমতাৰীৰ বক্তব্য বড়ো ভাষাৰ পৰা অসমীয়া ভাষালৈ অনুদিত ৰূপত বিচৰা হৈছিল যদিও শাসকপক্ষই "এগ্ৰেচিভ" ভূমিকা লৈছে। কাইলৈ পুনৰ ৰঞ্জিত বসুমতাৰীয়ে বড়ো ভাষাত দিয়া অসংসদীয় মন্তব্যৰ প্ৰতিলিপি বিচৰা হ'ব বুলি মন্তব্য কৰিছে বিৰোধী দলপতি দেৱহাছাৎ বসুমতাৰীয়ে। উল্লেখ্য যে খোৱাঘাট ৰেঞ্জ অফিচ মহামায়াৰ ৰাজাপাৰালৈ আৰু বগৰীবাৰী ৰাজহ চক্ৰ টিপকাইলৈ স্থানান্তৰণৰ প্ৰস্তাৱ লোৱা হৈছে বুলি আজি সদনত মুনমুন ব্ৰহ্মৰ প্ৰশ্নৰ উত্তৰত সংশ্লিষ্ট বিভাগৰ কাৰ্যবাহী সদস্যগৰাকীয়ে উত্তৰ দিছে। আনহাতে দেৱহাছাৎ বসুমতাৰীৰ এক প্ৰশ্নোত্তৰত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে বৰ্তমানলৈকে ৩৯১ গৰাকী শ্বহীদৰ পৰিয়ালৰ মাজত ১৯৫৫ লাখ টকা বিতৰণ কৰা হৈছে বুলি মন্তব্য কৰিছে। প্ৰণিধানযোগ্য যে কাইলৈ বিটিচিৰ শীতকালিন অধিবেশনৰ অন্তিম দিন আৰু কাইলৈ দুয়োখন বিল সদনত গৃহীত হোৱাৰ সম্ভাৱনা থকাৰ লগতে অসংসদীয় শব্দক লৈ বিতৰ্ক হোৱাৰ সম্ভাৱনা আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্দিৰৰ পূজাৰী হওক হিমন্তঃ অখিল

আঞ্চলিক দল ঐক্যবদ্ধ হোৱা দৰকাৰ। অন্যথা বিজেপি দলক পৰাভূত কৰাটো কঠিন। যিকেইটা বিৰোধী দল ঐক্যবদ্ধ নহয় সেই দলসমূহ যে বিজেপিৰ এজেন্ট সেই কথা প্ৰমাণ হ'ব। পঞ্চায়ত নিৰ্বাচনতো বিৰোধী দলসমূহে ঐক্যবদ্ধভাৱে প্ৰতিদ্বন্দ্বিতা কৰিলেহে ২৬'ৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে শক্তি বৃদ্ধি হ'ব। পঞ্চায়ত নিৰ্বাচনতকৈ এতিয়া আমাৰ লক্ষ্য হ'ব লাগে আগন্তুক বিধানসভাৰ সাধাৰণ নিৰ্বাচনত বিজেপিক পৰাভূত কৰাটোহে।- চৰাইদেউ জিলাৰ সোণাৰিত আজি অনুষ্ঠিত হোৱা ৰাইজৰ দলৰ এক ৰাজনৈতিক কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ উপস্থিত হৈ এই মন্তব্য কৰে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ বিধানসভা সমষ্টিৰ বিধায়ক অখিল গগৈয়ে। আনহাতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এতিয়া সকলোতে হিন্দুত্ববাদ দেখা বুলি মন্তব্য কৰা লগতে হিমন্ত বিশ্ব শৰ্মাক অসমৰ মুখ্যমন্ত্ৰী হৈ থকাৰ সলনি গেৰুৱা বসন পিন্ধি মন্দিৰৰ পূজাৰী হোৱাৰ পৰামৰ্শ দিয়ে অখিল গগৈয়ে। হিমন্ত বিশ্ব শৰ্মাই বাংলাদেশত হিন্দু নিৰ্যাতন হোৱা দেখা পায়, কিন্তু বাংলাদেশৰ হিন্দু আনি অসমৰ মানুহক যে সংখ্যালঘু কৰিব বিচৰা হৈছে সেয়া দেখা নাপায় বুলিও মন্তব্য কৰি ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে কয় যে ৰাইজৰ দল কেৱল মাত্ৰ এটা ধৰ্ম বা জাতিৰ লোকৰ পক্ষত নহয়, সকলো জাতি-ধৰ্মাৱলম্বী লোকক লগত লৈ আগবাঢ়ি যোৱাটোৰহে পক্ষপাতী। কিন্তু বিজেপি দলে কেৱল মাত্ৰ হিন্দু লোকৰহে কথা কয়। সেয়ে সকলো সময়তে কেৱল হিন্দুত্বৰ কথাহে কয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা অসমীয়াৰ প্ৰতিনিধি নহয়, হিন্দুৰহে প্ৰতিনিধি। ইফালে, বিজেপি চৰকাৰৰ দিনত সৰ্বসাধাৰণৰ মাজত সংকটে দেখা দিছে বুলি মন্তব্য কৰাৰ লগতে শিৱসাগৰৰপৰা গুৱাহাটীলৈ অহাৰ সময়ত প্ৰতিবাৰেই দুই হাজাৰ টকা ভৰিব লগা বুলিও সাংবাদিকৰ আগত সদৰি কৰে অখিল গগৈয়ে। উল্লেখ্য যে, ৰাইজৰ দলৰ চৰাইদেউ জিলা সমিতিৰ উদ্যোগত সোণাৰি ৰাজহুৱা প্ৰেক্ষাগৃহত আজি ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ উপস্থিতিত অনুষ্ঠিত ৰাজনৈতিক কৰ্মশালা আৰু যোগদান কাৰ্যসূচীত জিলাখনৰ বিভিন্ন ৰাজনৈতিক দলৰ কৰ্মীয়ে ৰাইজৰ দলত যোগদান কৰে। এই যোগদানে দলটোক শক্তিশালী কৰিব বুলি আশা কৰিছে অখিলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# গোৱালপাৰাত নিশা চলিল এনআইএৰ

ইছলামিক মৌলবাদীয়ে গা কৰি উঠিছে নেকি? কিয়নো ৰাজ্যত শেহতীয়াকৈ চৰকাৰ তথা নিৰাপত্তাৰক্ষীয়ে ৰাজ্যৰ সংখ্যালঘূ অধ্যুষিত এলেকাৰ পৰা দুৰ্ধৰ্ষ ইছলামিক সংগঠনৰ সৈতে জড়িত থকাৰ অভিযোগত কেবাগৰাকী যুৱক, জ্যেষ্ঠ নাগৰিকক গ্ৰেপ্তাৰ কৰিছে। এইবাৰ আন চাৰিজনক নিষিদ্ধ ঘোষিত জইছ-ই-মহম্মদৰ সৈতে জড়িত থকাৰ সন্দেহত গ্ৰেপ্তাৰ কৰিছে নিৰাপত্তাৰক্ষীয়ে। ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা আৰু অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে গোৱালপাৰা জিলাত নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদৰ সন্দেহযুক্ত চাৰি সদস্যক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ১১ ডিচেম্বৰৰ নিশাৰে পৰা কৃষ্ণাই, হাচিলাপাৰা, গোবিন্দপুৰ, টুকুৰা আৰু বৰপাহাৰত অভিযান চলাই শ্বাহনুৰ আলম, জয়নাল আবেদিন, আবু তালেব আৰু শ্বাহানুৰুল ইছলামক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গোৱালপাৰা জিলাৰ কৃষ্ণাই, হাচিলাপাৰা, গোবিন্দপুৰ, টুকুৰা আৰু বৰপাহাৰকে ধৰি একাধিক স্থানত চলা অভিযানত শ্বাহনুৰ আলম, জয়নাল আবেদিন, আবু তালেব আৰু শ্বাহানুৰুল ইছলামক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। স্থানীয় আৰক্ষীৰ সহযোগত গ্ৰেপ্তাৰ কৰি কিছু সময় গোৱালপাৰাৰ বেলতলাস্থিত সংৰক্ষিত আৰক্ষী ছাউনিত জেৰা কৰাৰ পিছতে চাৰিওজন লোকক গুৱাহাটী অভিমুখে লৈ অহা বুলি জানিব পৰা গৈছে। প্ৰয়োজনত অধিক জেৰা কৰিবলৈ দিল্লীলৈ নিব পাৰে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই। গ্ৰেপ্তাৰ হোৱা লোককেইজনে জইছ-ই-মহম্মদৰ হৈ অসমৰ লগতে জম্মু-কাশ্মীৰ, অসম, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আৰু গুজৰাটত সন্ত্ৰাসবাদী কাৰ্যকলাপ, সদস্যভৰ্তিৰ কামত জড়িত থকাৰ সন্দেহ কৰা হৈছে। কিন্তু এই অভিযান আৰু গ্ৰেপ্তাৰ সন্দৰ্ভত কোনো তথ্য প্ৰকাশ কৰা নাই ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা আৰু অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে। জেইএমৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ, সদস্যভৰ্তি লক্ষ্য লৈ দেশৰ পাঁচখন ৰাজ্য জম্মু-কাশ্মীৰ, অসম, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আৰু গুজৰাটত কাম কৰাৰ সন্দেহ কৰি অহা হৈছে। জইছ-ই-মহম্মদৰ বিৰুদ্ধে সময়ে সময়ে অভিযান চলি আহিছে। ইয়াৰ পূৰ্বেও কেবাখনো ৰাজ্যত চলা অভিযানত অসমসহ দেশত কেবাজনো লোকক গ্ৰেপ্তাৰ কৰা হৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমবাসীক পুনৰ আশা দিলে

গাডকাৰীয়ে অহা ফেব্ৰুৱাৰী মাহৰ ভিতৰত যোৰহাট-জাঁজী ঘাইপথৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব বুলি কয়। বৃহস্পতিবাৰে লোকসভাৰ প্ৰশ্নকালত কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ দি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আশ্বাস দি কয় যে ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাট-জাঁজি অংশৰ কাম সম্পূৰ্ণ কৰা হ'ব। সদনত গাডকাৰীয়ে কয় যে পথ প্ৰকল্পটোৱে বিভিন্ন কাৰণত বিলম্বৰ সন্মুখীন হৈছে। বৰ্তমান কাম সম্পূৰ্ণ গতিত আগবাঢ়িছে। নীতিন গাডকাৰীয়ে সদনত কয় যে এই পথটোৰ বিষয়ে আলোচনা কৰিবলৈ মই ১০-১২ খন সভা অনুষ্ঠিত কৰিছো। ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত যোৰহাট-জাঁজি অংশটোৰ কাম সমাপ্ত হ'ব। নীতিন গাডকাৰী.য়ে বাৰিষাৰ পূৰ্বে ব্যস্ত ঘাইপথটোৰ নিৰ্মাণৰ কাম সম্পন্ন হ'ব বুলি আশ্বাস্ত কৰিছে যদিও ৰাইজে হয়তো এই আশ্বাসত আস্বাস্ত নহ'ব। কিয়নো বছৰৰ পাছত বছৰ পাৰ হৈ যোৱাৰ পিছতো ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিলেন কৰাৰ কাম আজিলৈকে সম্পূৰ্ণ নহ'ল। যোৰহাটৰ পৰা ডিব্ৰুগড়লৈকে ৰাষ্ট্ৰীয় ঘাইপথটো মৰণ ফান্দত পৰিণত হৈছে। পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ অৱহেলা, ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন কৰ্প'ৰেচন লিমিটেডৰ মুৰ্খামিৰ বাবে ঘাইপথত সংঘটিত দুৰ্ঘটনাত কেবাগৰাকী লোক নিহত হৈছে। যোৰহাট-জাঁজি ঘাইপথ নিৰ্মাণৰ ঠিকা ২০১৭ চনতে ছিমপ্লেক্স ইনফ্ৰাষ্টাকচাৰ নামৰ প্ৰতিষ্ঠানটোক দিয়া হৈছিল। নিৰ্মাণ সম্পূৰ্ণ কৰাৰ শেষ সীমা আছিল ২০২০ চনৰ ২১ এপ্ৰিল। কিন্তু অতিৰিক্ত চাৰিটা বছৰ পাৰ হৈ যোৱাৰ পিছতো ঘাইপথটোৰ কাম সম্পূৰ্ণ নহ'ল। এতিয়ালৈ ৭০ শতাংশ কাম সম্পূৰ্ণ হোৱা নাই। কিন্তু আজি ঘোষণা কৰাৰ দৰে তিনিটা মাহৰ ভিতৰত পথটোৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা অতি কম। যোৰহাট-জাঁজিৰ পথছোৱা নিৰ্মাণৰ দায়িত্ব ৪টা প্ৰতিষ্ঠানক দিয়া হৈছে। সদগুৰু ইঞ্জিনিয়াৰিং, মেছাৰ্ছ বিনী কনষ্ট্ৰাকচন, এম পি আগৰৱাল মেছাৰ্ছ সদগুৰু ইঞ্জিনিয়াৰিঙে তিনিমাহৰ ভিতৰত কাম সম্পূৰ্ণ কৰিব পৰাৰ আশা দেখা নাই ৰাইজে। ইপিনে সাংসদ গৌৰৱ গগৈয়ে ঘাইপথৰ বাবে সৰৱ ভূমিকা পালন কৰি আহিছে। যোৰহাট সমষ্টিত অন্তৰ্ভুক্ত ঘাইপথটোৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে সাংসদ গৌৰৱে। পূৰ্বে গাডকাৰীক সাক্ষাৎ কৰিছিল। তাৰ পূৰ্বে পত্ৰ দিছিল গাডকাৰীক। স্থানীয় বাসিন্দাসকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছ নেতাজনে পথটোক গুৰুত্ব আৰোপ কৰি গৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'এক দেশ, এক নিৰ্বাচন'ক পূৰ্ণ সমৰ্থন

প্ৰতিবেদনৰ পৰামৰ্শৰ ভিত্তিত 'এক দেশ, এক নিৰ্বাচন' বিধেয়ক নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনাইছে। বিজেপিয়ে শেহতীয়াকৈ 'এক দেশ এক নিৰ্বাচন' বিষয়টোক মুখ্য এজেণ্ডা হিচাপে লোৱাৰ সময়তে কেন্দ্ৰীয় চৰকাৰে প্ৰস্তুত কৰা প্ৰস্তাৱিত বিধেয়ক আজি কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনাইছে। কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱাৰ পিছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে হিন্দুত্ববাদৰ পোষ্টাৰ বয় খ্যাত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই 'এক দেশ, এক নিৰ্বাচন' ব্যৱস্থাক সমৰ্থন কৰাৰ ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীয়ে এক দেশ এক নিৰ্বাচনৰ সপক্ষে যুক্তি দি কয় যে বিধানসভা আৰু লোকসভা নিৰ্বাচন সুকীয়া সুকীয়াকৈ অনুষ্ঠিত হ'লে উন্নয়নৰ কাম স্তব্ধ হয়। আজি ওড়িশাৰ জগন্নাথ মন্দিৰত সেৱা ল'বলৈ গৈ আজি মুখ্যমন্ত্ৰীয়ে এই মন্তব্য প্ৰদান কৰিছে। মুখ্যমন্ত্ৰীয়ে ওড়িশাৰ স্থানীয় সাংবাদিকৰ সৈতে বাৰ্তালাপ কৰি কয় যে 'এক দেশ, এক নিৰ্বাচন' হ'ব লাগে। যেনেকৈ ওড়িশাত একেলগে নিৰ্বাচন অনুষ্ঠিত হয়। বিধানসভা আৰু লোকসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত নহ'লে উন্নয়নৰ কাম স্তব্ধ হয়। প্ৰধানমন্ত্ৰীয়ে এনে হোৱাটো বিচাৰে। আমি এক দেশ, এক নিৰ্বাচনক সম্পূৰ্ণৰূপে সমৰ্থন জনাইছো। মুখ্যমন্ত্ৰীয়ে লগতে ইয়াকো কয় যে বিধেয়কখন লোকসভা আৰু ৰাজ্যসভাতে দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে গৃহীত হ'ব লাগিব। তেতিয়া নিশ্চিতভাৱে এই কাম সম্ভৱ কৰি তুলিব পাৰিব প্ৰধানমন্ত্ৰীয়ে। আনহাতে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পশ্চিমবংগ চৰকাৰ তথা মমতা বেনাৰ্জীক সীমান্ত অঞ্চলত অনুপ্ৰৱেশ ৰোধৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাত সমালোচনা কৰি কয় যে পশ্চিমবংগই অবৈধ অনুপ্ৰৱেশৰ বিৰুদ্ধে দেশজুৰি চলা অভিযানত দুৰ্বল ভূমিকা পালন কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে আমাৰ অভিযানৰ দুৰ্বল সংযোগ হৈছে পশ্চিমবংগ চৰকাৰ। ত্ৰিপুৰা বা অসমৰ মাজেৰে ভাৰতত প্ৰৱেশ কৰা সকলো অবৈধ অনুপ্ৰৱেশকাৰীক দৈনিক ছয়ৰ পৰা সাতজনক আটক কৰিছো। যদি মোৰ ফেচবুক আৰু টুইটাৰ পোষ্ট চাই সেই কথা দেখিব। অৱশ্যে, পশ্চিমবংগত এই অনুপ্ৰৱেশ বন্ধ নহ'ল। যদি অনুপ্ৰৱেশ অব্যাহত থাকে সমগ্ৰ দেশতে বিয়পি পৰিব অবৈধ বেদশী। মুখ্যমন্ত্ৰীয়ে অবৈধ অনুপ্ৰৱেশকাৰী সমস্যা সমাধান কৰিবলৈ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ (এনআৰচি) দৰে দেশব্যাপী নথিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অবৈধ অনুপ্ৰৱেশকাৰী ৰোধৰ তৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰি এনআৰচিৰ কাম আৰম্ভ কৰাৰ কথা কয়। কিন্তু এনআৰচি কেনেকৈ আৰু কেতিয়া কাৰ্যকৰী কৰা হ'ব সেয়া এক বেলেগ বিষয় বুলিও কয় শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীত ৭টাকৈ স্থানত বোমাতংক

সংগঠন জইছ-ই-মহম্মদৰ বিৰুদ্ধে অভিযান চলাই ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাই। গোৱালপাৰাৰ কেবাটাও সংখ্যালঘু অধ্যুষিত এলেকাত অভিযান চলাই নিষিদ্ধ ঘোষিত জইছ-ই-মহম্মদৰ সৈতে জড়িত থকাৰ সন্দেহত চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। নিশাৰে পৰা কৃষ্ণাই, হাচিলাপাৰা, গোবিন্দপুৰ, টুকুৰা আৰু বৰপাহাৰত অভিযান চলাই শ্বাহনুৰ আলম, জয়নাল আবেদিন, আবু তালেব আৰু শ্বাহানুৰুল ইছলামক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বুধবাৰে নিশাৰে পৰা চলা অভিযানত শ্বাহনুৰ আলম, জয়নাল আবেদিন, আবু তালেব আৰু শ্বাহানুৰুল ইছলামক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাৰ কেইটামান ঘণ্টাৰ পিছতে এটা ফোনকলে হাহাকাৰ লগাই ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীত। শ্বিলং আৰক্ষীৰ ফালৰ পৰা অহা এটা ফোনকলে গুৱাহাটী আৰক্ষীৰ নিদ্ৰাহৰণ কৰে। শ্বিলং আৰক্ষীৰ পৰা লাভ কৰা খবৰ অনুসৰি গুৱাহাটী ৰে'ল ষ্টেচন, গৌহাটি বিশ্ববিদ্যালয়কে ধৰি সাতটা স্থানত বোমা ৰখাৰ ভাবুকি দিছিল। শ্বিলঙৰ মেঘালয় আৰক্ষী নিয়ন্ত্ৰণ কক্ষই গুৱাহাটীত বোমা ৰখাৰ পৰিকল্পনা কৰাৰ সতৰ্কবাণী দিছিল। ইপিনে অসম আৰক্ষীয়ে এটা ই-মেইল লাভ কৰিছিল। য'ত দাবী কৰা হৈছিল যে বিশ্ববিদ্যালয় চৌহদকে ধৰি সাতটা ঠাইত বোমা ৰখা হৈছে বা বোমা বিস্ফোৰণৰ পৰিকল্পনা কৰা হৈছে। বিস্ফোৰণৰ পৰিকল্পনাৰ কথা লাভৰ পিছতে দৌৰা-দৌৰি লাগে গুৱাহাটী আৰক্ষীৰ। গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত নিৰাপত্তাৰক্ষী মোতায়েন কৰা হয়। সমগ্ৰ বিশ্ববিদ্যালয় চৌহদত তালাচী চলোৱা হয়। বিশ্ববিদ্যালয় আৰু সমগ্ৰ ষ্টেচন এলেকা ঘেৰি লৈ তন্ন তন্নকৈ তালাচী চলাবলৈ আৰম্ভ কৰে। হঠাতে নিৰাপত্তাৰক্ষীৰ বেহু বৃদ্ধি পোৱাত গুৱাহাটী ৰে'ল ষ্টেচনত থকা যাত্ৰীসকল আতংকিত হয়। বোমা থাকিব পাৰে বুলি যাত্ৰীয়ে অৱগত হোৱাত বোমাতংকৰ সৃষ্টি হয়। নিশাৰ পৰে পুৱা পৰ্যন্ত গুৱাহাটী ৰে'ল ষ্টেচনত তালাচী চলাই অৰ্ধসামৰিক বাহিনী আৰু আৰক্ষীয়ে। জানিব পৰা মতে, নিশা প্ৰায় ১১ বজাত শ্বিলং আৰক্ষীয়ে গুৱাহাটী আৰক্ষীৰ নিয়ন্ত্ৰণকক্ষলৈ ফোন কৰিছিল। গুৱাহাটী আৰক্ষীক বিস্ফোৰণৰ পৰিকল্পনাৰ কথা অৱগত কৰিছিল শ্বিলং আৰক্ষীয়ে। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাই কয় যে গুৱাহাটী ৰে'ল ষ্টেচনত বিস্ফোৰণৰ পৰিকল্পনা কথা অৱগত হোৱাৰ পিছতে নিশাৰে পৰা পুৱালৈ অভিযান চলাই যদিও তেনে কোনো সন্দেহজনক সামগ্ৰী উদ্ধাৰ কৰিব পৰা নাই। এয়া আলফা স্বাধীনৰ কাণ্ড হ'ব পাৰে নেকি বুলি সোধাত বৰাই সম্ভাৱনা অস্বীকাৰ কৰে। যাত্ৰীৰ বেগ, ব্ৰিফকেছ তালাচী কৰা হয়। নিশাই কেবাখনো থানাৰ আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী, জিআৰপি, আৰপিএফ, চিআৰপিএফ, স্নিফাৰ ডগ, বোমা নিষ্ক্ৰীয় কৰা স্কোৱাড ষ্টেচনত সষ্টম হৈছিল। অসম আৰক্ষীয়ে মেঘালয় আৰক্ষীৰ পৰা সহায় বিচাৰিছে। মেঘালয় আৰক্ষীয়ে লাভ কৰি ইনপুট আৰু অসম আৰক্ষীয়ে লাভ কৰা ই-মেইল কোনে প্ৰদান কৰিছিল তাৰ উৎস উদ্ধাৰৰ বাবে আৰক্ষীয়ে তদন্ত কৰিব বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ ভৱনত যোগদানৰ সভা

এৰি দিয়াৰ কথা দি অৱশেষত এৰি নিদিয়াত ভংগ হৈছিল অসমৰ বিৰোধী ঐক্য মঞ্চ অসম সন্মিলিত মৰ্চা। অসম সন্মিলিত মৰ্চাক এৰি অকলে নিৰ্বাচন খেলি কংগ্ৰেছ উপ-নিৰ্বাচন অনুষ্ঠিত ৫খন আসনতে পৰাজিত হয়। উপ-নিৰ্বাচন, লোকসভা নিৰ্বাচনৰ সময়ত কংগ্ৰেছে বিৰোধী আঞ্চলিক দল, বামপন্থীকলসমূহক মৰ্যাদা নিদিয়াৰ লগতে মিত্ৰতাৰ ধৰ্ম পৰিহাৰ কৰি অহাৰ অভিযোগ উত্থাপন হৈ আহিছে। বাৰে বাৰে গুৱাহাটীৰ হোটেল লিলিত বৈঠক পাতিও মিত্ৰতা নেছেল হয়। অসম জাতীয় পৰিষদৰ নেতা লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে কংগ্ৰেছ দল আৰু বিশেষকৈ নিজ ইচ্ছামতে বিহালীত টিকট দিয়া যোৰহাটৰ সাংসদ গৌৰৱ গগৈক তীব্ৰ সমালোচনা কৰি আহিছে। বিৰোধি দল কেইটাই কেৱল যে গৌৰৱ গগৈক সমালোচনা কৰি আহিছে তেনে নহয়। মিত্ৰতা নেচেল হোৱাত অসম কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙৰো নাম লৈছিল লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈয়ে। মিত্ৰতা ভংগ হোৱাৰ পিছৰে পৰা তথা উপ-নিৰ্বাচন অনুষ্ঠিত হৈ যোৱাৰ পিছৰে পৰা অসমলৈ অহা নাছিল জীতেন্দ্ৰ সিং। বিৰোধী দল কেইটাৰ মাজত পুনৰ মিত্ৰতা হ'ব নে নাই সেয়া এতিয়াই স্পষ্ট নহয়। কিন্তু মিত্ৰতাক লৈ পুনৰ জল্পনা-কল্পনা চলি থকাৰ মাজতে অসম ভ্ৰমণ কৰিব কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙে। তিনিদিনীয়া ভ্ৰমণ কাৰ্যসূচী লৈ অসমলৈ আহিব অসম প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিং। ১৩ ডিচেম্বৰৰ পৰা ১৫ ডিচেম্বৰলৈ তিনিটা দিন অসমত অতিবাহিত কৰি বিভিন্ন সাংগঠনিক কাৰ্যসূচীত অংশ ল'ব। ১৩ ডিচেম্বৰৰ পুৱা বিমান বন্দৰত উপস্থিত জীতেন্দ্ৰ সিঙে দলৰ বিশেষ সভাত অংশ ল'ব। ১৪ ডিচেম্বৰতো কেইবাখনো সভাত অংশ লোৱাৰ লগতে ১৫ ডিচেম্বৰত পিএচিৰ গুৰুত্বপূৰ্ণ বৈঠকত অংশ ল'ব। প্ৰদেশ কংগ্ৰেছৰ এটা সূত্ৰই প্ৰকাশ কৰা মতে, জীতেন্দ্ৰ সিঙৰ কাৰ্যাসূচীৰ তালিকা প্ৰকাশ কৰিছে যদিও এই তালিকাত এটা কাৰ্যসূচী উল্লেখ নাই। সেয়া হৈছে যোগদান কাৰ্যসূচী। জীতেন্দ্ৰ সিঙৰ উপস্থিতিত ৰাজীৱ ভৱনত অনুষ্ঠিত হ'বলগীয়া বৃহৎ যোগদান কাৰ্যসূচীত ৰাজ্যৰ কেবাটাও জাতীয়-জনগোষ্ঠীয় সংগঠনৰ প্ৰভাৱশালী নেতাই কংগ্ৰেছত যোগদান কৰিব। আটাছ তথা চাহ জনগোষ্ঠীৰ প্ৰাক্তন শীৰ্ষ নেতা, সংখ্যালঘু তথা এআইইউডিএফৰ সম্পাদক পদত কাৰ্যনিৰ্বাহ কৰি থকা ৰাজ্যিক নেতাই কংগ্ৰেছত যোগদান কৰিব। যোগদান কাৰ্যসূচীৰ বাবে সাজু হৈছে ৰাজীৱ ভৱন। জীতেন্দ্ৰ সিঙে '২৬ৰ নিৰ্বাচনক লক্ষ্য কৰি এনে যাত্ৰাৰ আৰম্ভণি কৰিছে। কিন্তু কংগ্ৰেছে আন কেইটা বিৰোধী দলৰ সৈতে মিত্ৰতা কৰিব নে নাই তাকেলৈ অসমৰ ৰাজনীতিত চৰ্চাৰ বিষয় হৈ পৰিছে। কংগ্ৰেছৰ তত্বৰধায়ক জীতেন্দ্ৰ সিঙে পূৰ্বৰ সকলো কথা পাহৰি বিৰোধী দলকেইটাৰ সৈতে কংগ্ৰেছক পুনৰ হাত মিলাব পৰাৰ পৰিৱেশ গঢ়িব নে নাই সেয়া স্পষ্ট নহয়। কিন্তু কংগ্ৰেছে যে দলীয় ভেটি শক্তিশালী কৰিবলৈ এতিয়াৰ পৰাই কঁকালত টঙালী বান্ধিছে সেয়া জীতেন্দ্ৰ সিঙৰ তিনিদিনীয়া ভ্ৰমণে প্ৰমাণ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰৰ পাচলি ডুবাইলৈ

বজাৰৰ। শিৱসাগৰ জিলাৰ দিচাংমুখ আৰু নিতাই পুখুৰীৰ ভাইটি পাংগিং আৰু মণ্টু শইকীয়াৰ দৰে খেতিয়কৰ শাক-পাচলি উপলব্ধ হ'ব ডুবাইৰ বজাৰত। শিৱসাগৰৰ পৰা ডুবাইলৈ ৰপ্তানি হ'ল ৰঙালাউৰ লগতে কাজিনেমু। অসমৰ ৰঙলাউ আৰু জাতীয় ফল কাজিনেমুৱে ভৰিব ডুবাইৰ বজাৰ। শিৱসাগৰৰ পৰা ডুবাইলৈ প্ৰেৰণ কৰা হ'ল ১৫০০ কিলোগ্ৰাম ৰঙালাউৰ উপৰি ১০০০ কিলোগ্ৰাম কাজিনেমু। ডুবাইলৈ প্ৰেৰণ কৰা সামগ্ৰী কঢ়িওৱা বাহনৰ ফ্লেগ অফ কৰে শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰনোজ পেগুৱে। কাইগা একজিমছ নামৰ গুৱাহাটীস্থিত এটা প্ৰতিষ্ঠানে কৃষকসকলৰ পৰা এই শাক-পাচলিসমূহ ক্ৰয় কৰি বিদেশলৈ ৰপ্তানি কৰি আহিছে। শিৱসাগৰ জিলা প্ৰশাসনে কৃষক আৰু প্ৰতিষ্ঠানটোৰ মাজত যোগসূত্ৰ স্থাপন কৰি সামগ্ৰীসমূহ বিক্ৰী কৰাৰ ক্ষেত্ৰত সহযোগ আগবঢ়ায়। জিলাখনৰ পৰা আজি প্ৰথমটো শাক-পাচলিৰ গোট প্ৰেৰণ কৰা হয়। উল্লেখ্য যে শিৱসাগৰ জিলাৰ নদীকাষৰীয়া অঞ্চলসমূহত দীৰ্ঘদিন ধৰি কৃষকসকলে বৃহৎ পৰিমাণত ৰবি শস্যৰ উৎপাদন কৰি আহিছে। বিশেষকৈ কবি তথা অন্যান্য শাক-পাচলিৰ উপৰিও প্ৰতিবছৰে বৃহৎ পৰিমাণত উৎপাদিত ৰঙালাউ আৰু কাজিনেমু বিদেশলৈ ৰপ্তানি কৰি অহাত কৃষকসকল উপকৃত হৈছে। শিৱসাগৰ জিলাৰ দিখৌমুখ দিচাংমুখ, নিতাইপুখুৰী আদি অঞ্চলসমূহত উৎপাদিত শাক-পাচলিয়ে জিলাখনৰ চাহিদা পূৰণৰ লগতে বিদেশলৈ ৰপ্তানি কৰাত কৃষকসকল উপকৃত হৈছে। নদীকাষৰীয়া অঞ্চলত কৃষি কাৰ্য কৰি অহা কৃষকৰ অসুবিধা দূৰ কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে মন্ত্ৰী পেগুৱে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অতিথিশালা বিক্ৰী কৰিবলৈ দিয়া নহ'ব!

ই-সংবাদ, ১২ ডিচেম্বৰঃ হিন্দু-মুছলমানৰ ৰাজনীতিৰ 'মাহীৰ খেলুৱৈ' হিমন্ত বিশ্ব শৰ্মাই ৰাজকোষ টনকিয়াল কৰিব নোৱাৰাৰ ফলতে পযেকত এবাৰকৈ হ'লেও ঋণ লৈ চৰকাৰ চলাই থকা বুলি অভিযোগ উত্থাপন হৈ আহিছে। ৰাজ্যৰ বিৰোধী, অৰ্থনীতিবিদে অসম ধাৰত পোত যোৱা ৰাজ্যত পৰিণত হোৱাৰ অভিযোগ তুলি আহিছে। ঋণ লৈ ৰাজ্য চৰকাৰ চলাই থকাৰ ফলত ৰাজহুৱা খণ্ডৰ নতুন উদ্যোগ, পৰ্যটন ক্ষেত্ৰত নতুন প্ৰতিষ্ঠান গঢ় দিব পৰা নাই। ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈ নতুন উদ্যোগ, পৰ্যটন উদ্যোগ গঢ় দিয়াৰ পৰিৱৰ্তে পূৰ্বৰ ৰাজহুৱা অনুষ্ঠানসমূহ ব্যক্তিগত খণ্ডৰ হাতত তুলি দিয়াৰ পৰিকল্পনা কৰিছে। বিশেষকৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যোনক কেন্দ্ৰ কৰি পূৰ্বৰ চৰকাৰে গঢ় দিয়া তিনিটা চৰকাৰী অতিথিশালা ব্যক্তিগত খণ্ডৰ হাতত তুলি দিয়াৰ পৰিকল্পনা কৰিছে। এই খবৰে ৰাজ্যত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাজ্যৰ দল-সংগঠনে চৰকাৰৰ এনে হঠকাৰী সিদ্ধান্তক ভৎৰ্সনা কৰিছে। ৰাজকোষ উদং হৈ থকাৰ সময়তে কাজিৰঙাৰ ঐতিহাসিক অতিথিশালা লীজত দি দেউলীয়া চৰকাৰে ধন আহৰণৰ কৰিব খোজা সিদ্ধান্ত মানি লোৱা নহ'ব বুলি কৈছে বিভিন্ন দল-সংগঠনে। ১৯৬২ চনৰ পৰাই দেশী-বিদেশী পৰ্যটক, দেশৰ কেবাগৰাকী প্ৰাক্তন ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, কেবাগৰাকী মুখ্যমন্ত্ৰী, সেনাধ্যক্ষ, উপ-ৰাষ্ট্ৰপতি, বলিউদ অভিনেতাই নৈশ যাপন কৰি যোৱা বনানী অতিথিশালা ব্যক্তিগত খণ্ডক গটাব খুজিছে চৰকাৰে। আনহাতে বনশ্ৰী আৰু কুঞ্জবন অতিথিশালা গোপনে ব্যক্তিগত খণ্ডক গটোৱাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে। ইতিমধ্যে পৰ্যটন বিভাগে বনানী, বনশ্ৰী আৰু কুঞ্জবন অতিথিশালাৰ বাবে নিবিদাৰ আহ্বান কৰিছে। অসম পৰ্যটন উন্নয়ন নিগমৰ অতিৰিক্ত মহাপ্ৰৱন্ধকে বনানী, বনশ্ৰী আৰু কুঞ্জবন পৰ্যটন নিবাসৰ বাবে নিবিদাৰ আহ্বান কৰি যাৱতীয় ব্যৱস্থা কৰিছে। নিবিদা জাৰি কৰাৰ পিছতে কাজিৰঙাৰ স্থানীয় দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি শীঘ্ৰে সিদ্ধান্ত সলনি কৰিবলৈ দাবী জনাইছে। অসম জাতীয়তবাদী যুৱ-ছাত্ৰ পৰিষদে চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। যুৱ-ছাত্ৰ পৰিষদে স্পষ্টকৈ কয় যে থলুৱা নিবনুৱা যুৱকৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰ কেতিয়াও মানি লোৱা নহ'ব। যদি চৰকাৰে এই সিদ্ধান্ত বাতিল নকৰে তেন্তে গণ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। বৃহত্তৰ কাজিৰঙা ভূমি সুৰক্ষা সমিতিৰ নেতা প্ৰণৱ দলেয়ে ৰাজহুৱা সম্পত্তি বিক্ৰী কৰিব খোজা কাণ্ডক ধিক্কাৰ দিয়ে। প্ৰণৱ দলেয়ে কয় যে এইখন চৰকাৰে ৰাজহুৱা সম্পত্তি বিক্ৰী কৰি গৈছে। কাজিৰঙাৰ চৰকাৰী সম্পত্তিত চকু দিছে। কাজিৰঙাৰ সম্পত্তি ব্যক্তিগতকৰণ কৰা হৈছে। হাতী কৰিডৰত বাণী গ্ৰীণ ৰিজৰ্ট খুলিছে খোদ মুখ্যমন্ত্ৰীৰ পত্নীয়ে। হোটেল হায়াত নামৰ পঞ্চ তাৰকা হোটেল নিৰ্মাণৰ প্ৰস্তুত চলাইছে। কাজিৰঙাৰ সক্ৰিয় ৰাজহুৱা কৰ্মী সোণেশ্বৰ নৰহে চৰকাৰৰ হঠকাৰী সিদ্ধান্তক লৈ জাঙুৰ খাই উঠিছে। জীপাল কৃষক শ্ৰমিক সংঘৰ নেতা সোণেশ্বৰ নৰহ আৰু প্ৰবীণ পেগুৱে স্থানীয় কোনো লোকৰ সৈতে আলোচনা নকৰাকৈ সদ্য প্ৰাক্তন পৰ্যটন মন্ত্ৰী জয়ন্তমল্ল বৰুৱা আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙাবাসীক এই সিদ্ধান্ত জাপি দিয়া বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। চৰকাৰ চলাই থকাসকলক অদক্ষ আখ্যা দি সংগঠনটোৱে কয় যে যদি তেওঁলোক অদক্ষ, তেন্তে অতিথিশালা কেইটা ৰাইজক গতাই দিয়ক। ৰাইজে সমবায় ভিত্তিত চলাব। ঐতিহাসিক সম্পদ ব্যক্তিগতকৰণ নকৰিবলৈ আৰু মুখ্যমন্ত্ৰীৰ নিজৰ ব্যৰ্থতা প্ৰকাশ নকৰিবলৈ আহ্বান জনাইছে জীপাল কৃষক শ্ৰমিক সংঘই। সংগঠনটোৰ দুই নেতাই সদ্য প্ৰাক্তন পৰ্যটন মন্ত্ৰী জয়ন্তমল্ল বৰুৱাক সমালোচনা কৰি কয় যে জয়ন্ত মল্লবৰুৱাৰ ঘনিষ্ঠ ঠিকাদাৰক চৰকাৰী অতিথিশালা দিয়াৰ চক্ৰান্ত কৰা হৈছে, নিবিদা মাথো এক চমকহে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'কা' আন্দোলনৰ পঞ্চ শ্বহীদক ৰাজ্যৰ

দিব খোজা জাতি ধ্বংসী সিদ্ধান্তৰ বিৰুদ্ধে লক্ষ লক্ষ লোক ৰাজপথলৈ ওলাই আহিছিল। প্ৰায় দুই বছৰীয়া আন্দোলনে ২০২৯ চনৰ ১১ ডিচেম্বৰ আৰু ১২ ডিচেম্বৰত ভয়াবহ ৰূপ ধাৰণ কৰিছিল। কিয়নো কেন্দ্ৰীয় চৰকাৰে সদনত ১২ ডিচেম্বৰত বিধেয়ক উত্থাপন কৰিছিল অসমীয়া মানুহক জোৰকৈ জাপি দিবলৈ আইন সদনত গৃহীত কৰাৰ লগতে বন্দুৰ গুলীৰে অসম ৰঙালী কৰি পেলাইছিল। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি পদত দীৰ্ঘসময় কাৰ্যনিৰ্বাহ কৰা সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰীৰ কাৰ্যকালতে পাঁচগৰাকীকৈ অসমীয়া ডেকাক গুলীয়াই হত্যা কৰৈ হৈছিল। বন্দুকৰ গুলীৰে পাঁচ অসলমীয়াৰ বুকু ছিৰা-ছিৰি হৈ পৰিছে। হাতীগাঁৱৰ লগতে ৰাজ্যৰ কেইবাঠাইত তেজ বৈ গৈছিল। ২০১৯ চনৰ ১২ ডিচেম্বৰৰ সন্ধিয়া ৬ বাজি ৩০ মিনিটত চেম ষ্টেফৰ্ডক আৰক্ষীয়ে হাতীগাঁৱত গুলীয়াই হত্যা কৰিছিল। ২০১৯ চনৰ ১১ ডিচেম্বৰত কেন্দ্ৰৰ বিজেপি চৰকাৰে সংসদত নাগৰিকত্ব সংশোধনী বিধেয়ক উত্থাপন কৰাৰ লগে লগে সমগ্ৰ ৰাজ্যজুৰি ভয়ংকৰ প্ৰতিবাদ গঢ় লৈ উঠিছিল। গুৱাহাটী মহানগৰীত এই আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ ৰূপ ধাৰণ কৰাৰ লগে লগে অসম আৰক্ষীৰ গুলীত ৫ জনকৈ চফল ডেকাই প্ৰাণ দিবলগীয়া হৈছিল। ইয়াৰ এজন কিশোৰ যুৱক আছিল হাতীগাঁৱৰ চেম ষ্টেফৰ্ড। কেন্দ্ৰীয় চৰকাৰে অসমে নিবিচাৰা আইন জাপি খোজাৰ বিৰুদ্ধে শ-শ লোকে ৰাজপথত থকাৰ সময়তে ফুটগধূলিতে চলোৱা আৰক্ষীৰ গুলীত হাতীগাঁৱত ৰাজপথত ঢলি পৰিছিল চেম ষ্টেফৰ্ড। আজিৰ দিনটোত 'কা' আন্দোলনত শ্বহীদ হৈছিল ছেম ষ্টেফৰ্ড। ছেম ষ্টেফৰ্ডৰ লগতে ৰাজ্যত শ্বহীত হৈছিল পাঁচগৰাকী তেজাল যুৱক। আজিৰ দিনটোতে অসম মাতৃৰ হকে পঞ্চ শ্বহীদে প্ৰাণ দিছিল। আজি বিশেষ দিনটোত পঞ্চ শ্বহীদক স্মৰণ কৰে ৰাজ্যবাসীয়ে। কেবা ঠাইত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। হাতীগাঁওস্থিত শ্বহীদ ছেম ষ্টেফৰ্ডৰ ঘৰত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। নাগৰিকত্ব সংশোধনী আইনৰ আন্দোলনৰ পঞ্চ শ্বহীদক সুঁৱৰি হাতীগাঁৱত সদৌ অসম ছাত্ৰ সন্থাই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। আছুৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত আছুৰ কেন্দ্ৰীয় নেতৃত্ব উপস্থিত থাকি দীপাঞ্জল দাস, চেম ষ্টেফৰ্ড, ঈশ্বৰ নায়ক, আব্দুল আলিম, দ্বিজেন্দ্ৰ পাংগিঙক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি গুৱাহাটীত সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে প্ৰতাৰণা দিৱস পালন কৰে। গুৱাহাটী ছাত্ৰ সন্থাই হাতে হাতে ক'লা পতাকা লৈ কোনা কাৰণত 'কা' মানি লোৱা নহ'ব বুলি হুংকাৰ দি শ্ল'গান দিয়া পৰিলক্ষিত হয়। সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ নেতা প্ৰাঞ্জল ডেকাই কয় যে যেতিয়ালৈ 'কা' বাতিল নহয় তেতিয়ালৈ এই প্ৰতিবাদ অব্যাহত থাকিব। এই আইনে জাতিক আৰু অসম চুক্তিক অৱমাননা কৰিছে বুলিও কয় প্ৰাঞ্জল ডেকাই। ইপিনে অজাপই আজি পঞ্চ শ্বহীদক স্মৰণ কৰে। অজাপই 'কা' বিৰোধী গণ সংগ্ৰামত আত্মবলিদান দিয়া পাঁচগৰাকী জাতীয় বীৰ শ্বহীদক সুঁৱৰি ৰাজ্যজুৰি আত্মবলিদান দিৱস পালন কৰে। গুৱাহাটীৰ জু-ৰোডস্থিত অসম জাতীয় পৰিষদৰ মুখ্য কাৰ্যালয়ত দলৰ কামৰূপ মহানগৰ জিলা সমিতিয়ে আয়োজন কৰা আত্মবলিদান দিৱসত উপস্থিত থাকি পাঁচোগৰাকী শ্বহীদৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি নিৱেদন কৰে দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। উল্লেখ্য যে, কিশোৰ চেম ষ্টেফৰ্ডৰ পৰিয়ালক ন্যায় দিবলৈ প্ৰবীণ মহন্ত নামৰ এগৰাকী অধিবক্তাই হাতীগাঁও আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছিল। হাতীগাঁও আৰক্ষী থানাই এই এজাহাৰৰ ভিত্তিত ৯২৩/২০১৯ নম্বৰত এটা গোচৰ ৰুজু কৰিছিল। ভাৰতীয় দণ্ড বিধিৰ ৩২৬/৩০২ ধাৰাত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছিল। আৰু ২০২১ চনৰ ৩ মাৰ্চত এই তদন্ত সম্পূৰ্ণ কৰি কামৰূপ মেট্ৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তদন্তৰ চূড়ান্ত প্ৰতিবেদন (ফাইনেল ৰিপৰ্ট) দাখিল কৰিছিল। আৰক্ষীয়ে তদন্ত প্ৰতিবেদনত ঘটনাক ভুলৰশত (Mistake of fact) সংঘটিত হোৱা বুলি উল্লেখ কৰি সমগ্ৰ ঘটনাক গাপ দিবলৈ প্ৰয়াস কৰাত চেম ষ্টেফৰ্ডৰ পৰিয়ালে আজিলৈ ন্যায় নাপালে। পৰিয়ালটোক আজিলৈ চৰকাৰে খবৰ এটাও ন'ললে। দুৰ্ভগীয়া পিতৃ-মাতৃহালে আজিও চুকলো টুকি ন্যায়ৰ অপেক্ষা কৰি গৈছে।

# শিৱসাগৰ জিলা শিশু সুৰক্ষা সমিতিৰ কাৰ্যালয়ত সাংবাদিকৰে মত বিনিময় অনুষ্ঠান

**ই-সংবাদ, শিৱসাগৰ ১২ ডিচেম্বৰঃ** শিৱসাগৰ নগৰৰ পশ্চিম যমুনা ৰোডৰ নিউ কলনিত অৱস্থিত শিৱসাগৰ জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়ত বিভাগটোৱে আজি অনুষ্ঠিত কৰে সংবাদ মাধ্যমৰ সৈতে এক মত বিনিময় অনুষ্ঠান। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি চি ডব্লিও চিৰ সদস্যা বন্দনা কৌশিক বৰদলৈয়ে কয় যে বাল্য বিবাহৰ ক্ষেত্ৰত আন ৰাজ্যৰ তুলনাত অসমৰ ঘটনা সমূহ পৃথক। অসমত প্ৰায় সংখ্যক বাল্য বিবাহৰ কাৰণ হৈছে কম বয়সতে ল'ৰা ছোৱালীয়ে ঘৰৰ পৰা পলাই বিয়াত বহে । কিন্তু অন্য ৰাজ্যত প্ৰায় বিলাক বাল্য বিবাহ ঘৰৰ মুৰব্বীৰ হেঁচাত হয়। ইফালে অসমৰ বাল্য বিবাহৰ ঘটনা বিলাক যেতিয়া জিলা শিশু সুৰক্ষা বিষয়াৰ কাৰ্যালয়লৈ আহে, আৰু যেতিয়া তেওঁলোকৰ পৰা মুখ জুবানী লোৱা হয় তেতিয়া জানিব পৰা যায় যে বহু কিশোৰীয়ে ঘৰৰ আৰ্থিক দুৰৱস্থাৰ বাবেই এনেদৰে বিয়া হয়। আন কিছুমান কিশোৰ-কিশোৰীয়ে কিয় কম বয়সতে তেওঁলোকে বিয়াত বহিলে ইয়াক জানিব বিচাৰিলে তেওঁলোকৰ ওচৰত বিয়া হোৱাৰ কোনো কাৰণেই নাথাকে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে - যদি ছোৱালীজনীৰ ১৮ বছৰৰ তলৰ হয় আৰু তেওঁ বিয়া হোৱা লৰাটোৰ বয়স যদি ২০ বছৰৰ ওপৰত হয় তেন্তে এই বিয়াখন যে আইন বিৰোধী আৰু বিয়া হোৱা লৰাটোৱে যে পকচ' আইনৰ দৰে এক জটিল আইনী মেৰপাকত সুমাই পৰি ২০ বছৰ পৰ্যন্ত কাৰাবাস খাটিব লগীয়া হ'ব এই বিষয়ে বিয়া হোৱা কম বয়সীয়া কিশোৰীগৰাকী অলপো অৱগত নহয়। এনে কাৰক বিলাকৰ বাবেই চলিত বছৰৰ এই মুহূৰ্তত লৈকে শিৱসাগৰত ২৩০ টা কিশোৰ কেন্দ্ৰিক বিভিন্ন ঘটনা পঞ্জীয়ন হৈছে বুলি সদস্যা গৰাকীয়ে উল্লেখ কৰে। শিৱসাগৰ জিলা শিশু সুৰক্ষা বিষয়া ড০ বিকাশ ৰঞ্জন কোঁৱৰে কয় যে পিতৃ মাতৃৰ অনুশাসনহীনতা অথবা ঠাই বিশেষ হিচাপে সামিজিক পৰিৱেশৰ পৰিস্থিতিৰ মাজত থকাৰ বাবে বিভিন্ন সময়ত কিশোৰ সকলে সমাজখনৰ পৰা বিচ্ছিন্ন হৈ অপৰাধ জনিত কাৰ্যত জড়িত হৈ পৰে। যদিও অপৰাধ জনিত কাৰ্যত লিপ্ত হৈ পৰে তথাপিও এই শিশু সকলৰ আমাৰ সমাজে এটা অবিচ্ছেদ্য অঙ্গ হয়। সেয়ে এনে ধৰণৰ কিশোৰ সকলক মূল সুঁতিলৈ উভতাই অনাৰ যথেষ্ট স্থল আছে। এই ক্ষেত্ৰত চৰকাৰ-প্ৰশাসন, চৰকাৰৰ অধীনস্থ শিশু সুৰক্ষা বিভাগৰ যিমান দায়িত্ব আছে ইয়াৰ সমান্তৰাল ভাৱে সংবাদ মাধ্যমৰ লগতে ৰাইজৰো সমানেই দায়িত্ব আছে। তেওঁ আৰু কয় যে শিশু সকলক শুদ্ধ পথলৈ উভতাই আনিবৰ বাবে এখনি জুভেনাইল জাষ্টিছ বৰ্ড আছে। এই বৰ্গত এগৰাকী ছাব জুডিচিয়েল মেজিষ্ট্ৰেট থাকে। লগতে চৰকাৰৰ তৰফৰ পৰা দুজন সমাজৰ বিশিষ্ট ব্যক্তিক এই ব'ৰ্ড খনত নিয়োগ কৰা হয়। এই ব'ৰ্ড খন সপ্তাহত দুদিনকৈ বহে। মঙ্গল আৰু শুকুৰবাৰে। ইয়াৰ লগতে এখনি শিশু কল্যাণ সমিতি আছে। যিখন কমিটিয়ে যৌন নিৰ্যাতন, শাৰীৰিক নিৰ্যাতন, বাল্য বিবাহৰ কৱলত পৰা অথবা প্ৰাকৃতিক দুৰ্যোগত পৰি অভিভাৱকক হেৰুৱা কিশোৰ সকলৰ ওপৰত প্ৰতিবেদন প্ৰস্তুত কৰি তেনে কিশোৰক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাৰ দায়িত্ব পালন কৰে বুলি বিষয়া গৰাকীয়ে উল্লেখ কৰে। ইফালে পকচ' আইনৰ সন্দৰ্ভত বিশ্লেষণ কৰি তেওঁ কয় যে পকচ' আইনখন কেৱল যে কিশোৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হয় এনে নহয়। এই আইনখনে কিশোৰৰ সৈতে যদি কোনো প্ৰাপ্ত বয়স্ক মহিলায়েও শাৰিৰীক, মানসিক অথবা যৌন নিৰ্যাতন চলাই তেনে প্ৰাপ্ত বয়স্ক মহিলাৰ ওপৰতো এই আইনখন প্ৰযোজ্য হয় বুলি উল্লেখ কৰে। আনহাতে বিভিন্ন সময়ত সংবাদ মাধ্যমত নিৰ্যাতিতা কিশোৰী বা কিশোৰৰ নাম উল্লেখ কৰাৰ লগতে ঘটনাৰ সাক্ষী দিয়া নাবালকৰ নামো ছপা অথবা বৈদ্যুতিন সংবাদ মাধ্যমত উল্লেখ কৰা দেখা যায় বুলি তেওঁ কয়। তেওঁ কয় যে এইয়া হৈছে ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ লগতে সামাজিক মাধ্যমৰো এক আইন উলংঘা কাৰী ঘটনা। এনে ঘটনাৰ বিৰুদ্ধেও আইনে শাস্তিৰ ব্যৱস্থা ৰাখিছে। সেয়ে যিকোনো নিৰ্যাতনৰ সন্মুখীন হোৱা কিশোৰ কিশোৰীৰ নাম অথবা ঘটনাৰ নাবালক সাক্ষীৰ নামো প্ৰচাৰ কৰিব লগীয়া বাতৰিৰ পৰা সংবাদ মাধ্যম অথবা সামাজিক মাধ্যমে গোপনে ৰাখিব লাগে। নহ'লে এনে কিশোৰ সকলৰ নাম সংবাদ মাধ্যম সমূহৰ দ্বাৰা ৰাজহুৱা হৈ পৰিলে তেওঁলোকৰ লগতে অভিভাৱক আৰু পৰিয়ালৰ আন সদস্য সকলেও সামাজিক ভাৱে লজ্জিত হ'ব লগীয়াত পৰে বুলি জিলা শিশু সুৰক্ষা বিষয়া ড০ বিকাশ ৰঞ্জন কোঁৱৰে উল্লেখ কৰে। ৰূপা গগৈয়ে আঁত ধৰা এই মত বিনিময় অনুষ্ঠানটৈত উপস্থিত থাকি ড০ ডেইজী কামিন, অৰ্চনা বৰদলৈ, ৰাণী হাজৰিকা আৰু অজন্তা কাকতিয়ে শিশু-কিশোৰ সম্পৰ্কীয় বিশেষ বক্তব্য আগবঢ়ায়।

# চকলাঘাটত বান্দৰ-মানুহৰ সংঘাত, আহত ব্যৱসায়ী

**ই-সংবাদ, বেৰেজীয়া, ১২ ডিচেম্বৰঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ হাতীচোং মৌজাৰ এলেকাধীন বৃহত্তৰ চকলাঘাটত বান্দৰ আৰু মানুহৰ মাজত দীৰ্ঘদিন ধৰি সংঘাত অব্যাহত থকাৰ মাজতে ইয়াৰ পৰিণতিত চকলাঘাটত এজন ব্যৱসায়ী গুৰুতৰভাৱে আহত হোৱা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। আহত পঞ্চাশোৰ্দ্ধৰ ব্যৱসায়ীজন চকলাঘাটৰ ক্ষেত্ৰীগাঁও নিবাসী অনন্ত বৰা বুলি জানিব পৰা গৈছে। আচলতে, ঘৰৰ কিছু নিলগতে এখন গেলামালৰ দোকানৰ জৰিয়তে জীৱিকা নিৰ্বাহ কৰি থকা ব্যৱসায়ীজনৰ দোকানৰ টিনপাতৰ চালিৰ ওপৰত আনদিনাৰ দৰে মঙলবাৰেও কেইবাটাও বান্দৰে আহি উপদ্ৰৱ চলোৱাত ব্যৱসায়ীজন অতিষ্ঠ হৈ বান্দৰকেইটাক খেদি যায়। তেতিয়া বান্দৰকেইটা যেনিয়ে-তেনিয়ে জঁপিয়াই পলাবলৈ ধৰে। তেনে অৱস্থাত দুটামান বান্দৰ দোকানখনৰ কাষতে থকা এডাল তামোল গছেৰে জঁপিয়াই পলাওঁতে তামোল ডালৰ ওপৰৰ কিছু অংশ ভাগি আহি ব্যৱসায়ীজনৰ মূৰৰ ওপৰতে পৰে। লগে লগে ব্যৱসায়ীজন মাটিত ঢলি পৰে আৰু মূৰ ফাটি যথেষ্ট ৰক্তক্ষৰণ হ'বলৈ ধৰে। লগে লগে স্থানীয় লোকে ব্যৱসায়ীজনক উদ্ধাৰ কৰি পৰিয়ালৰ সহযোগত ততাতৈয়াকৈ নগাঁও চহৰৰ নি চিকিৎসালয়ত ভৰ্তি কৰায় যদিও আঘাত অতি গুৰুতৰ হোৱাত চিকিৎসকে পিছত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, বিগত কেইবছৰমানৰ পৰা বৃহত্তৰ চকলাঘাটৰ গ্ৰামাঞ্চলবোৰত বান্দৰে ধাৰাবাহিকভাৱে চলাই অহা সীমাহীন তাণ্ডৱে গঞ্জাৰাইজক অতিষ্ঠ কৰি তুলিছে। কৃষি পথাৰ বা ঘৰৰ বাৰীৰ কথা বাদেই জাক পাতি অহা বান্দৰে প্ৰায়েই মানুহৰ বাসগৃহৰ ভিতৰতো সোমাই বয়-বস্তু লণ্ড-ভণ্ড কৰি অহাত ৰাইজে চৰম যাতনা ভুগিবলগীয়াত পৰিছে। বান্দৰৰ এনে সন্ত্ৰাসত দিশহাৰা হৈ পৰা গঞ্জাই বান্দৰৰ জাকক খেদিব গ'লে কেতিয়াবা ওলোটাই বান্দৰে মানুহক ওলোটাই আক্ৰমণ কৰাৰ ঘটনাও সংঘটিত হোৱা বুলি জানিব পৰা গৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# ১৬ ডিচেম্বৰৰ পৰা কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগৰ ‘ৰাইজৰ সেৱা ৰাইজৰ পদূলিত’

**গুৱাহাটীঃ ১২ডিচেম্বৰঃ** যানবাহন ব্যৱহাৰকাৰীৰ বাবে সুখবৰ ! এতিয়াৰে পৰা কামৰূপ মহানগৰ জিলাৰ সমজিলাসমূহতো থিতাতে সমাধান হ’ব যানবাহন বিষয়ক সমস্যাৰ। প্ৰয়োজন হ’লেই বাহনৰ গৰাকীৰ কাষত ঠিয় হ’বগৈ যানবাহন পৰিদৰ্শককে ধৰি বিভাগৰ সহায়কাৰী বিষয়াৰ দল। ৰাজ্যৰ ৰাজধানী চহৰ গুৱাহাটী মহানগৰীত সকলো সময়তে সুৰক্ষিত যাতায়াত অব্যাহত ৰখাৰ লক্ষ্যৰে যানবাহনৰ গৰাকীক বিশেষভাবে সহায়ৰ হাত আগবঢ়াবলৈ কামৰূপ মহানগৰ জিলা পৰিবহণ বিভাগে আগন্তুক ১৬ডিচেম্বৰৰ পৰা ৩১ডিচেম্বৰলৈ “ৰাইজৰ সেৱা ৰাইজৰ পদূলিত” শীৰ্ষক পযেকজোৰা অভিলাষী কাৰ্যসূচী গ্ৰহণ কৰিছে। ৰাজ্যৰ পৰিবহণ বিভাগৰ বিশেষ কতৰ্ব্যৰত বিষয়া আৰু অতিৰিক্ত দায়িত্ববাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসৰ পৰিকল্পনা আৰু তত্বাৱধানত অনুষ্ঠিত হ’বলগীয়া এই জনসেৱা কাৰ্যসূচীত মহানগৰ জিলাখনৰ জালুকবাৰী, ডিমৰীয়া, নিউ গুৱাহাটী আৰু দিশপুৰ সমজিলাৰ অন্তৰ্গত যিসকল যানবাহনৰ গৰাকীয়ে সময় আৰু কাৰিকৰী অসুবিধাত বাহন চালনাৰ অনুজ্ঞাপত্ৰকে ধৰি বাহনৰ বিভিন্ন নথিপত্ৰসমূহ অনলাইনযোগে নবীকৰণ কৰিব পৰা নাই অথবা যানবাহনৰ যাৱতীয় কৰ পৰিশোধ কৰিব পৰা নাই সেইসকলক বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা হ’ব। কাৰ্যসূচী অনুসৰি জালুকবাৰীত ১৬ আৰু ২৩ ডিচেম্বৰত, ডিমৰীয়াত ১৮ আৰু ৩০ডিচেম্বৰত, নিউ গুৱাহাটীত ২০ আৰু ২৭ডিচেম্বৰত এই গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰা হ’ব। ৰাজ্যৰ ৰাজধানী চহৰখনৰ এইকেইখন সমজিলাৰ কাৰ্যালয়ত পৰিবহণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দল উপস্থিত হৈ বাহনৰ গৰাকীৰ বিভিন্ন ওজৰআপত্তি নিষ্পত্তি কৰাৰ লগতে বাহনৰ নথিপত্ৰ বিষয়ক গুৰুত্বপূৰ্ণ সমস্যাসমূহ তাৎক্ষণিকভাৱে সমাধানৰ চেষ্টা চলাব। “ৰাইজৰ সেৱা ৰাইজৰ পদূলিত” কাৰ্যসূচীৰ সময়চোৱাত ব্যক্তিগত বাহনৰ উপৰি বিভিন্ন শ্ৰেণীৰ বাণিজ্যিক বাহনৰ লগতে উদ্যোগ-প্ৰতিষ্ঠান, নিৰ্মানকাৰী সংস্থা আদিয়েও বাহনৰ নথিপত্ৰ বিষয়ক সমস্যাৰ কথা অৱগত কৰিলে পৰিবহণ বিভাগৰ সহায়কাৰী বিষয়াৰ দলে সমাধানৰ ব্যৱস্থা কৰিব । একেদৰে জিলা পৰিবহণ বিষয়াৰ বেতকুচিস্থিত কাৰ্যালয়ত বিশেষভাৱে সাজু কৰা কৰ্মচাৰীৰ দলেও সমান্তৰালভাৱে মহানগৰ জিলাখনৰ সকলো শ্ৰেণীৰ যানবাহন বিষয়ক সমস্যাৰ সমাধান কৰিব। সকলো শ্ৰেণীৰ যানবাহন ব্যৱহাৰকাৰীৰ সৈতে পৰিবহণ বিভাগৰ সম্পৰ্ক ওচৰ চপাই আনি সকলোৰে সন্মিলিত প্ৰচেষ্টাত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ৰ দুৰ্ঘটনামুক্ত অসমৰ সপোন বাস্তৱায়িত কৰাতো এই কাৰ্যসূচীৰ অন্যতম লক্ষ্য বুলি পৰিবহণৰ বিশেষ কতৰ্ব্যৰত বিষয়াগৰাকীয়ে উল্লেখ্য কৰে।

## জোখমাখ মতে উচ্ছেদ নকৰি প্ৰশাসনে নাটক কৰিলেঃ আমছু

# ৰণক্ষেত্ৰত পৰিণত বেছিমাৰী উচ্ছেদস্থলী



**ই-সংবাদ, দলগাওঁ, ১২ ডিচেম্বৰঃ** ৰাস্তা বহলীকৰণক কেন্দ্ৰ কৰি চলা ৰণক্ষেত্ৰলৈ পৰিণত হ’ল দলগাঁৱৰ উচ্ছেদস্থলী। ঠেক পথৰ বাবে যানজঁটৰ সৃষ্টি হোৱাত পথটো বহলৰ বাবে আমছু আৰু বিভিন্ন দল সংগঠন, স্থানীয় ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই জিলা প্ৰশাসনে ৫ ডিচেম্বৰৰ ভিতৰত বেদখলকৃত ঠাই খালী কৰিবলৈ ৮৮ জনকৈ ব্যৱসায়ীক জাননী জাৰি কৰাৰ বিপৰীতে উক্ত ঠাই খালী নহলে প্ৰশাসনে ভাঙি দিব বুলি অন্য এক জাননী জাৰি কৰে। সেই সূত্ৰে আজি বৃহৎ আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী, চাৰিখনকৈ জেচিবি লৈ বেছিমাৰীত উপস্থিত হৈ উচ্ছেদ আৰম্ভ কৰে যদিও পূৰ্বে জোখমাখ কৰা অনুসৰি উচ্ছেদ নকৰাত প্ৰতিবাদ জনায় আমছুৱে। ইফালে, আমছুৰ আকোৰগোজ স্থিতিৰ বিৰুদ্ধে সৰৱ স্থানীয় বিধায়কে ৫০ ফুটতকৈ এক ইঞ্চিও বেছি ঠাই উচ্ছেদ হবলৈ দিয়া নহয় বুলি জানিবলৈ দিয়ে। আমছু কৰ্মীয়ে বিধায়কৰ বিৰুদ্ধে প্ৰতিবাদী ধ্বনিত খৰ্গহস্থ বিধায়কৰ উচটনি স্থানীয় দোকানী আৰু এআইইউডিএফ কৰ্মী সমৰ্থক উত্তেজিত হৈ আমছুৰ জিলা সভাপতি মাহবুবুল আলমলৈ চোচো লয় আৰু আৰক্ষীৰ সন্মুখতে হতাহতি হয় যদিও কোনোমতে ৰক্ষা পৰে। পৰিস্থিতি ইমানেই ভয়ংকৰ ৰূপ লয় যে উপায়ন্তৰ হৈ আমছু কৰ্মী সকল পলাই আহিবলৈ বাধ্য হয়। আমছুৰ অভিযোগ- প্ৰশাসনে উচ্ছেদৰ নামত নাটক কৰিলে। ইয়াত পৰ্যাপ্ত ৰাস্তা মুকলি নোহোৱাত যানজঁটৰ সমস্যা থাকিয়েই যাব। বিধায়ক মজিবুৰ আৰু প্ৰশাসনৰ ভূমিকাক ক্ষুৰধাৰ সমালোচনা কৰি কয়- ৰাস্তা জোখমাখ মতে বহল নহ’ল। সমস্যা থাকিয়েই গ’ল। আমি মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিম, প্ৰয়োজনত আদালতলৈ যাম। ইফালে আমছুৰ জিলা সভাপতি মাহবুবুল আলমক আক্ৰমণ কাণ্ডৰ গৰিহণা দি উপ-সভাপতি আব্দুৰ ৰহমান বিশ্বাসে কয়- ক্ষমতা সদায় নাথাকে। অনাগত দিনত বিধায়কে ইয়াৰ পৰিণাম ভুগিব লাগিব। অন্যহাতে, এই উচ্ছেদৰ বিৰোধীতাৰে বিধায়ক মজিবুৰ ৰহমানে কয়- মই পথ বহল কৰাৰ পক্ষে কিন্তু উচ্ছেদৰ বিপক্ষে। মই বেছিমাৰীৰ ৰাইজৰ বাবে জীৱন দিবলৈ সাজু আছো, উচ্ছেদ হ’বলৈ নিদিও। বিধায়ক মজিবুৰে অভিযোগ কৰি কয়- আমছুৰ জিলা সভাপতিক কংগ্ৰেছে বিপথে পৰিচালিত কৰি এই উচ্ছেদ চলাইছে। দোকানীৰ পৰা তেওঁ দাবী কৰা ধন নোপোৱাৰ বাবে উচ্ছেদ কৰাবলৈ উঠিপৰি লাগিছে। অৱশ্যে এই অভিযোগ খণ্ডন কৰে আলমে দোকানী সকলৰ পৰা ইচ্ছা কৰিলে কোটি টকা লব পাৰিলেহেঁতেন বুলি কয়। ইফালে, জোখমাখমতে উচ্ছেদ হব লাগে বুলি স্থানীয় সাংবাদিক এজনে কোৱাত বেছিমাৰী প্ৰেছক্লাবৰ একাধিক সাংবাদিকক মুকলিকৈ ধমক দিয়ে বিধায়কজনে। আনহাতে, দোকানীসকলে উচ্ছেদ বন্ধ কৰিবলৈ প্ৰতিজনে ৫ হাজাৰকৈ টকা উঠোৱা বুলিও প্ৰচাৰ হৈছে। প্ৰশ্ন হৈছে- যদি টকা উঠাইছিল, কাক মেনেজ কৰিবলৈ উঠাইছিল এই ধন সেয়া এতিয়াও ৰহস্যৰ আৱৰ্তত। বিধায়ক মজিবুৰৰ উগ্ৰমূৰ্ত্তি, সাংবাদিকক ধমক আৰু আমছু কৰ্মীক মুকলিকৈ আক্ৰমণ কৰিবলৈ উচটনি দিয়া কাৰ্যক লৈ সৰ্বত্ৰে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# ৰামদিয়াত দীৰ্ঘদিনৰ পৰা বিকল হৈ আছে ভাৰতীয় ষ্টেট বেংকৰ এটিএম

**ই-সংবাদ, হাজো, ১২ ডিচেম্বৰ :** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ ৰামদিয়াৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ লোক সকলৰ জৰুৰীকালীন বিত্তীয় লেন দেনৰ একমাত্ৰ প্ৰতিষ্ঠান হৈছে ৰামদিয়া নামপাৰাস্থিত ভাৰতীয় ষ্টেট বেংকৰ এটিএম সেৱা। কিন্তু বিগত প্ৰায় ১০ মাহৰ পৰা বিকল হৈ পৰি ৰৈছে এই এটিএম সেৱা। যাৰ ফলত টকা-পইচা লেন দেনৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে অঞ্চলটোৰ গ্ৰাহক ৰাইজ। ৰামদিয়াৰ লগতে ইয়াৰ পাৰ্শ্ববৰ্তী এলেকাৰ লোক সকলৰ বিত্তীয় লেন দেনৰ জৰুৰীকালীন সেৱাৰ বাবে নামপাৰা চ’কত থকা এছ বি আইৰ এটিএমটো বিগত কেইবামাহ ধৰি বিকল হৈ থকাত বিপদৰ সময়ত গ্ৰাহক সকলে যথেষ্ট সময় খৰছ কৰি হাজো, শুৱালকুছি, দদৰালৈকে টকা উলিয়াব যাবলগীয়া হোৱাত আক্ষেপ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত স্থানীয় একাংশ লোকে ভাৰতীয় ষ্টেট বেংকৰ আঞ্চলিক প্ৰৱন্ধকৰ ওচৰত মৌখিকভাৱে



কেইবাবাৰো অভিযোগ উত্থাপন কৰি আহিছে যদিও বৰ্তমানলৈ ইয়াৰ কোনো ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা নাই বুলি ক্ষোভ প্ৰকাশ কৰে। গ্ৰাহক ৰাইজৰ লেন দেনৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এছ বি আইৰ ৰামদিয়াস্থিত এটিএমটো অতিশীঘ্ৰে সুচল কৰি তুলিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰিছে স্থানীয় গ্ৰাহক ৰাইজে।

# কা-বিৰোধী পঞ্চ ছহিদক শ্ৰদ্ধাঞ্জলি জ্ঞাপন ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ

**ই-সংবাদ, ডুমডুমা, ১২ ডিচেম্বৰ :** ২০১৯ চনৰ আজিৰ দিনটোতেই নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ আহি মৃত্যুক আকোঁৱালি লোৱা ৫ গৰাকী নিৰীহ যুৱক তথা ছহিদক ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই নিজা কাৰ্যালয় প্ৰাংগণত আজি সন্ধিয়া চাকি-বন্তি জ্বলাই শ্ৰদ্ধা নিবেদন কৰে। সন্ধিয়া সন্থাৰ কাৰ্যালয়ত এক আৱেগিক পৰিৱেশত উপস্থিত বহু লোকে ৫ গৰাকী ছহিদৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি যাচে। অনুষ্ঠানত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সম্পাদক প্ৰতীম নেওগে ' কা ' আন্দোলনৰ ছহিদক স্মৰণ কৰি শাসকীয় বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰি ছাত্ৰ সন্থাৰ নেতৃত্বত কা-বিৰোধী কাৰ্যকলাপ অসমীয়া জাতি জীয়াই থকা পৰ্যন্ত চলি থাকিব বুলি উদাত্ত কণ্ঠৰে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত ' আটছু ' ৰ ডুমডুমা শাখাৰ সম্পাদক যোগেশ্বৰ নন্দই ' কা ' আন্দোলনত ছাত্ৰ সন্থাই সদায় সমুখৰপৰা নেতৃত্ব দি যোৱাৰ কথা দোহাৰে। অনুষ্ঠানত ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সম্পাদক দেবেন ডেকাকে আদি কৰি বিভিন্নজনে বক্তব্য ৰাখে। অনুষ্ঠানটিৰ আঁত ধৰে ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক সমুজ্জ্বল বড়া সোণোৱালে।




ৰত্নমৌলী পেলেচত এখন ইছুজু দি-মেক্স এম্বুলেন্স উদ্বোধন মন্ত্ৰী পীযুষ হাজৰিকাৰ



ওড়িশাত বেডমিন্টন উচ্চ প্ৰদৰ্শন কেন্দ্ৰ উদ্বোধন কৰাৰ সময়ত উপস্থিত অসমৰ মুখ্যমন্ত্ৰী

## সৰ্বধৰ্ম প্ৰাৰ্থনাৰে আৰম্ভ খহনীয়া প্ৰতিৰোধী আঁচনিৰ কাম

# লাহৰীঘাটত খহনীয়া হ'ব সমাধান! নৈপৰীয়া ৰাইজে মুখ্যমন্ত্ৰীক দিলে ধন্যবাদ

**ই-সংবাদ, লাহৰীঘাট, ১২ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত সৰ্বধৰ্ম প্ৰাৰ্থনাৰে আৰম্ভ হ'ল খহনীয়া প্ৰতিৰোধী আঁচনিৰ কাম। লাহৰীঘাটৰ টেঙাগুৰি কছাৰী গাঁৱত লুইতৰ পাৰত আজি পুৰোহিতৰ মন্ত্ৰ উচ্চাৰণ আৰু মৌলবীৰ দোৱা-প্ৰাৰ্থনাৰে এছিয়ান ডেভেলপমেণ্ট বেংকৰ কেইবাকোটি টকীয়া খহনীয়া প্ৰতিৰোধী আঁচনিৰ শুভাৰম্ভ কৰা হয়। মৰিগাঁও জিলাৰ উত্তৰ পশ্চিমাঞ্চলৰ দীৰ্ঘদিনীয়া খহনীয়া সমস্যা সমাধান দিশে আজিৰে পৰা অগ্ৰসৰ হৈছে। এডিবিৰ প্ৰথম পৰ্যায়ৰ প্ৰায় ৪৮ কোটিটকীয়া খহনীয়া প্ৰতিৰোধী কাম টেঙাগুৰি কছাৰী গাঁৱত শুভাৰম্ভ কৰা হয়। এছিয়ান ডেভেলপমেণ্ট বেংকৰ এই অভিলাষী আঁচনিয়ে প্ৰথম পৰ্যায়ত কাঠনিৰ পৰা বালিডোংগালৈকে খহনীয়া প্ৰতিৰোধৰ কাম কৰা হ'ব। জিঅ' বেগেৰে পিটচিং কৰি খহনীয়া প্ৰতিৰোধৰ কাম কৰা হ'ব। অত্যাধিনুক পদ্ধতিৰে জিঅ' পিটচিং কৰি খহনীয়া প্ৰতিৰোধৰ কাম কৰা হ'ব। খহনীয়া প্ৰতিৰোধী কাম শুভাৰম্ভ হোৱাৰ লগে লগে লাহৰীঘাটৰ নৈপৰীয়া ৰাইজ উৎফুল্লিত হৈ পৰিছে। বছৰ বছৰ ধৰি লুইতৰ খহনীয়াই লাহৰীঘাটবাসীক কন্দুৱাই আহিছে। আজি লাহৰীঘাটৰ জ্বলন্ত সমস্যা সমাধান হোৱা লৈ চাই মুখ্যমন্ত্ৰীক নৈপৰীয়া ৰাইজে ধন্যবাদ জ্ঞাপন কৰিছে। উল্লেখ্য যে লুইতৰ খহনীয়াত দুকুৰি বছৰ ধৰি লাহৰীঘাটৰ শতাধিক ৰাজহ গাঁও নিঃচিহ্ন হোৱাৰ লগতে লাখ লাখ বিঘা কৃষিভূমি লুইতৰ বুকুত জাহ গৈছে। বহু লাখপতি কোটিপতি লোকক নিশাৰ ভিতৰতে খহনীয়াই পথৰ ভিক্ষাৰীত পৰিণত কৰিছিল। কিন্তু বছৰ বছৰ ধৰি কংগ্ৰেছ চৰকাৰে লাহৰীঘাটৰ খহনীয়া সমস্যা সমাধান কৰিবলৈ সক্ষম হোৱা নাছিল। লাহৰীঘাটৰ খহনীয়া সমস্যা সমাধান কৰিবলৈ বিজেপি চৰকাৰ আগবাঢ়ি অহাত ৰাইজে ধন্যবাদ জনাইছে।

## 'কা' আন্দোলনৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি শিৱসাগৰ আছুৰ

**ই-সংবাদ, শিৱসাগৰ, ১২ ডিচেম্বৰঃ** ৰাজ্য কঁপাই যোৱা নাগৰিকত্ব সংশোধনী আইন বিৰোধী আন্দোলনৰ পঞ্চ ছহিদলৈ আজি সন্ধিয়া শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাই। চহৰৰ ব'ৰ্ডিং ৰোডস্থিত ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত পঞ্চ ছহিদ ক্ৰমে ঈশ্বৰ নায়ক, ছেম ষ্টেফ'ৰ্ড, দীপাঞ্জল দাস, আব্দুল আলিম আৰু দ্বিজেন্দ্ৰ পাংগিঙৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ উপৰি বন্তি প্ৰজ্বলনেৰে গভীৰ শ্ৰদ্ধা নিবেদন কৰে। কাৰ্যসূচীত আছু নেতা সমীৰণ ফুকন, মানৱ হাজৰিকা, দীপাংকৰ শইকীয়া, গোপাল দাস, জীপম বড়া, মানস প্ৰতীম বৰুৱা, মনজিৎ হাজৰিকাকে ধৰি বহু সংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচী থলীত ৰাইজৰ প্ৰবল বিৰোধিতাৰ পাছতো কা আইন বলবৎ কৰা বিজেপি দল আৰু চৰকাৰৰ বিৰুদ্ধে আছু নেতৃত্বই তীব্ৰ বিযোদগাৰ প্ৰকাশ কৰে।

# বুৰুংগাতলী আঞ্চলিক আমছুৰ সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, মোৰাঝাৰ, ১২ ডিচেম্বৰঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ হোজাই জিলা সমিতিৰ অন্তৰ্গত বুৰুংগাতলী আঞ্চলিক আমছুৰ এখন সাধাৰণ সভা বুধবাৰে অনুষ্ঠিত হৈ যায়। হোজাই জিলা সমিতিৰ প্ৰতিনিধি দলৰ উপস্থিতিত আয়োজিত সাধাৰণ সভাখন আঞ্চলিক সমিতিৰ সভাপতি নুৰ আহমেদৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত হোজাই জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মামুন ৰসিদ, সহকাৰী সম্পাদক এজাজুল হক, ইমদাদুৰ ৰহমান, আব্ৰাৰুল হক চৌধুৰী, কাজিম উদ্দিনসহ অঞ্চলটোৰ প্ৰায় শতাধিক লোক উপস্থিত থাকে। উক্ত সভাত বুৰুংগাতলী আঞ্চলিক আমছুৰ পুৰণা সমিতি ভংগ কৰি নতুন এখন শক্তিশালী কমিটী গঠন কৰা হয়। এই সভাতেই অঞ্চলটোৰ ভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰাৰ উপৰি শিক্ষাৰ্থীৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ বাবে নিৰ্দেশ দিয়ে মামুন ৰসিদে। ইপিনে, নৱগঠিত বুৰুংগাতলী আঞ্চলিক আমছুৰ সভাপতি নুৰ আহমেদ, উপ-সভাপতি তাজুল ইছলাম, মাৰুফ আহমেদ, সাধাৰণ সম্পাদক মতিবুৰ ৰহমান, আব্দুল হালিম, সহকাৰী সম্পাদক আইবুৰ ৰহমান, মুখ্য সাংগঠনিক সম্পাদক উচমা আল মবৰুৰ, সাংগঠনিক সম্পাদক হাইদৰ হুছেইন, শিক্ষা সম্পাদক চুফিয়ান আহমেদ,




প্ৰচাৰ সম্পাদক ফাৰুক আহমেদ, চাইদুল আলম, সাংস্কৃতিক সম্পাদক ফাহিজ আহমেদ, নাছিৰ উদ্দিন, ক্ৰীড়া সম্পাদক আফতাৰ হুছেইন, আব্দুল খয়েৰ, ৰেহান উদ্দিনসহ কাৰ্যকৰী সদস্যক লৈ ৩১ জনীয়া এখন শক্তিশালী আঞ্চলিক সমিতি গঠন কৰা হয়।

# চাপৰত অবৈধ বালি মাটি খননৰ বিৰুদ্ধে মহকুমা আৰক্ষী বিষয়াৰ অভিযান

**ই-সংবাদ, চাপৰ, ১২ ডিচেম্বৰঃ** ধুবুৰী আৰু বঙাইগাঁও জিলাৰ চম্পাৱতী নৈত চলি আছে অবৈধ বালি মাটি খনন। অভিযোগ মৰ্মে, একাংশ ট্ৰেক্টৰ মালিকে বন বিষয়াক মেনেজ কৰি ৰাজহ ফাঁকিৰে চলাই আছে অবৈধ খনন কাৰ্য। ইপিনে, বিলাসীপাৰা মহকুমা আৰক্ষী বিষয়াই গোপন সূত্ৰৰ পম খেদি চাপৰৰ নিকটৱৰ্তী ঝাউকুৰা আৰু চাপৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চালানবিহীন বালি-মাটি কঢ়িয়াই অনা দুখন নম্বৰ প্লেটবিহীন ট্ৰেক্টৰ জব্দ কৰি চাপৰ থানালৈ লৈ আহে। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰা চাপৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে একাংশ ট্ৰেক্টৰে বিনা দ্বিধাই বালি-মাটি কঢ়িয়াই আহিছিল। ইপিনে, ট্ৰেক্টৰবোৰ মাটি কঢ়িয়াই লৈ যাওঁতে মাটি ভালদৰে ঢাকি নোলোৱাৰ ফলত বালি-মাটি উৰি ধূৱলি-কুঁৱলী পৰিৱেশৰ সৃষ্টি হোৱাৰ উপৰি ৰাষ্ট্ৰীয় ঘাইপথ আৰু গড়কাপ্তানী পথবোৰ ধূলিৰে পৰিপূৰ্ণ হোৱা পৰিলক্ষিত হৈছে। আনপিনে, ট্ৰেক্টৰৰ মাটিবোৰ বাৰম্বাৰ ঢাকি আনিববলৈ ৰাইজে পৰামৰ্শ প্ৰদান কৰাৰ পিছত আঁকোৰগজ মনভাৱেৰে মাটি কঢ়িয়াই অনাত ৰাইজ বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে। ৰাইজে অভিযোগ কৰা মতে, বন বিভাগক মেনেজ কৰি ৰাজহ ফাঁকিৰে একাংশ ট্ৰেক্টৰ মালিকে অবৈধ খনন কাৰ্য চলাই আছে।

# চামগুৰিত ড্ৰাগছ সৰবৰাহকাৰী জালত

**ই-সংবাদ, পুৰণিগুদাম, ১২ ডিচেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই বাজিয়াগাঁও অঞ্চলৰ পৰা ড্ৰাগছসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বাজিয়াগাঁও অঞ্চলৰ একাংশ স্থানীয় সচেতন লোকে আজি দিনৰ প্ৰায় ১১.১৫ মান বজাত সোণাৰিবালি অঞ্চলৰ আনোৱাৰ হুছেইন(৩০) নামৰ ড্ৰাগছ সৰবৰাহকাৰীটোক আটক কৰি চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ হাতত গতাই দিয়ে। সোণাৰিবালি নিবাসী শুকুৰ আলীৰ পুত্ৰ আনোৱাৰ হুছেইনে আজি বাজিয়াগাঁৱৰ বেলতলাত কোনো লোকক ড্ৰাগছ বিক্ৰী কৰিবলৈ আহোঁতে স্থানীয় লোকে সন্দেহৰশতঃ আটক কৰি সোধা-পোছা কৰি আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আনোৱাৰক তালাচী চলোৱাত নিষিদ্ধ হেৰ'ইন ভৰ্তি ৬ টা কন্টেইনাৰ উদ্ধাৰ কৰে। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰীটোৰ পৰা ৯ গ্ৰাম ড্ৰাগছ জব্দ কৰাৰ লগতে আৰু অধিক তথ্যৰ বাবে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।




ডুমডুমাত কা-বিৰোধী পঞ্চ ছহিদক শ্ৰদ্ধাঞ্জলি ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ

## নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয় সন্মুখত দল-সংগঠনৰ প্ৰতিবাদ

# অ'এনজিচিৰ থলুৱা স্বাৰ্থ বিৰোধী নীতিৰ বিৰুদ্ধে নাজিৰাত অৱস্থান ধৰ্মঘট

**ই-সংবাদ, নাজিৰা, ১২ ডিচেম্বৰঃ** মহাৰত্ন উদ্যোগ তেল আৰু প্ৰাকৃতিক গেছ নিগম অসম সম্পদৰ অধীনৰ গেলেকী তৈল ক্ষেত্ৰত থলুৱাক বঞ্চনাৰ অভিযোগ তুলি নাজিৰা সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত চাৰিটাকৈ জাতীয় সংগঠনে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। বীৰ লাচিত সেনা, সদৌ টাই আহোম ছাত্ৰ সন্থা, সদৌ অসম জাতীয়তাবাদী যুৱ পৰিষদ আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ দ্বাৰা এই ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। শেহতীয়াকৈ অ' এন জি চি অসম সম্পদ আৰু Cross Country Contractors Pvt Ltd-এ কৰা থলুৱা স্বাৰ্থ বিৰোধী নীতিৰ বিৰুদ্ধে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয় বুলি জানিব পৰা গৈছে। শেহতীয়াকৈ উক্ত ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে গেলেকী তৈলক্ষেত্ৰত নতুনকৈ স্থাপিত হ'বলগীয়া জি চি পি(২) প্ৰকল্পৰ বাবে কোটিটকীয়া নিবিদা লাভ কৰিছে। কিন্তু নীতিগতভাৱে প্ৰতিষ্ঠানটোৱে নিজে এই কাম নকৰি 'চপন'(Sopan) নামৰ অন্য এটা কোম্পানীক উপ-ঠিকা প্ৰদান কৰিছে। এই দুয়োটা ঠিকাদাৰী প্ৰতিষ্ঠানক থলুৱা যুৱকসকলে যোগ্যতাৰ ভিত্তিত ক্ষুদ্ৰ ক্ষুদ্ৰ ঠিকা প্ৰদান কৰিববলৈ দাবী জনাইছিল। কিন্তু স্থানীয় শিক্ষিত নিবনুৱা যুৱকৰ দাবীৰ প্ৰতি সন্মান নজনাই উক্ত ঠিকাদাৰী প্ৰতিষ্ঠানে সমুদায় কামৰ ঠিকা এম এছ সন্তোষ চাহেৰালা এণ্ড ছন্ছ নামৰ অন্য এটা ঠিকাদাৰী প্ৰতিষ্ঠানক পুনৰ উপ-ঠিকা প্ৰদান কৰা বুলি জানিব পৰা গৈছে।

এইখিনিতে উল্লেখ কৰিব লাগিব যে এম এছ সন্তোষ চাহেৰালাৰ এই ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে গেলেকী তৈলক্ষেত্ৰত বিগত কেইবা দশক ধৰি বিভিন্ন লাভজনক কামৰ নিবিদা লাভ কৰি মুনাফা অৰ্জন কৰি আহিছে। কিন্তু আজিলৈকে বৃহত্তৰ গেলেকী অঞ্চলত কোনো সামাজিক কামত মনোনিৱেশ কৰা নাই চাহেৰালাৰ এই ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে। এই গুৰুতৰ অভিযোগ দল-সংগঠনৰ। বিগত সময়ছোৱাত কেৱল স্থানীয় নিৰ্দিষ্ট দুই-এজন ব্যক্তিক লৈ চাহেৰালাৰ প্ৰতিষ্ঠানটোৱে সমুদায় কাম কৰাৰ বাবে স্থানীয় শিক্ষিত নিবনুৱা যুৱকসকল বৰ্তমান দিশহাৰা হৈ পৰিছে। ইফালে, অসম সম্পদ বুলি কোৱা মহাৰত্ন কোম্পানীটোৱে বাৰম্বাৰ গেলেকীত শিক্ষিত নিবনুৱা যুৱকসকলক প্ৰতাৰণা কৰি আহিছে বুলি অভিযোগ কৰি আহিছে দল-সংগঠনে। এই বিষয়সমূহ লৈ এতিয়া সৰৱ হৈ পৰিছে গেলেকীৰ স্থানীয় দল-সংগঠন। এই সমগ্ৰ বিষয় সামৰি গত ২১ নৱেম্বৰ তাৰিখে নাজিৰা সমজিলাৰ আয়ুক্তৰ যোগেদি অ' এন জি চিৰ কৰ্তৃপক্ষলৈ এক স্মাৰক পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু আজি ২০ দিন সময় উকলি যোৱাৰ পিছতো স্মাৰক পত্ৰখনৰ ওপৰত নিগম কৰ্তৃপক্ষই কোনো ব্যৱস্থা নোলোৱাত ক্ষুব্ধ হৈ দল-সংগঠনে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। আজি পুনৰ এক স্মাৰক তিনিদিনৰ ভিতৰত নিজৰ স্থিতি স্পষ্ট কৰিববলৈ নিগমৰ ওচৰত দাবী জনাইছে দল-সংগঠনে।

# 'বিধায়ক প্ৰতিভা সন্ধানী পৰীক্ষা-২৪'ত স্থানপ্ৰাপ্ত শিক্ষাৰ্থীৰ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন

**ই-সংবাদ, ডুমডুমা, ১২ ডিচেম্বৰঃ** যোৱা ৪ আগষ্টত তিনিচুকীয়া জিলাৰ ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ যুৱ বিধায়ক ৰূপেশ গোৱালাৰ উদ্যোগত ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত চৰকাৰী, প্ৰাদেশীকৃত আৰু অপ্ৰাদেশীকৃত(ব্যক্তিগত খণ্ডৰ বিদ্যালয় বাদ দি) বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দ্বিতীয় বাৰ্ষিক 'বিধায়কৰ প্ৰতিভা সন্ধানী পৰীক্ষা-২৪' অনুষ্ঠিত কৰা হৈছিল। উক্ত পৰীক্ষাত স্থান লাভ কৰিববলৈ সক্ষম হোৱা শীৰ্ষ ২০ গৰাকী প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীক বিধায়ক ৰূপেশ গোৱালাৰ স্বাক্ষৰ সম্বলিত প্ৰমাণ পত্ৰৰ লগতে তেওঁলোকক উৎসাহিত কৰাৰ উদ্দেশ্যে অৰ্থাৎ প্ৰথম স্থান প্ৰাপ্তক ২০,০০০ টকা, দ্বিতীয় স্থান প্ৰাপ্তক ১৫,০০০টকা, তৃতীয় স্থান প্ৰাপ্তক ১০,০০০টকা, চতুৰ্থ স্থান প্ৰাপ্তক ৭,০০০ টকা, পঞ্চম স্থান প্ৰাপ্তক ৫,০০০ হাজাৰ টকাৰে সন্মানিত কৰাৰ উপৰি ষষ্ঠৰ পৰা বিংশতিতম স্থান প্ৰাপ্তক ৩,০০০ টকা(প্ৰতিজনক)ৰে সন্মানিত কৰাৰ কথা ঘোষণা কৰিছিল বিধায়ক ৰূপেশ গোৱালাই। লগতে তেওঁলোকৰ ভৱিষ্যত শৈক্ষিক জীৱনত সম্ভাব্য সকলো সহায়ো আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিছিল যুৱ বিধায়কগৰাকীয়ে। ৪ আগষ্টত অনুষ্ঠিত হোৱা পৰীক্ষা সন্দৰ্ভত চলিত বৰ্ষৰ ১৪ জুনত ইয়াৰ হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিধায়কগৰাকীৰ সভাপতিত্বত পৰীক্ষা সম্বন্ধীয় এখনি সভা অনুষ্ঠিত হৈছিল, য'ত ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নৱজ্যোতি চহৰীয়াক সভাপতি, ডুমডুমাৰ বিশিষ্ট চিকিৎসক, সমাজকৰ্মী ডাঃ প্ৰণৱজ্যোতি ডেকা, বিশিষ্ট শিক্ষাবিদ তথা ৰূপাই হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰকাশ দত্ত আৰু ডুমডুমাৰ বিশিষ্ট সাংবাদিক অভিজিত খাটনিয়াৰক উপ-সভাপতি, হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অলিপ খানক সাধাৰণ সম্পাদক, দিলীপ প্ৰসাদ, নাজিৰিয়াচ কিন্দো আৰু নয়ন ডেকাক যুটীয়া সম্পাদক, তিনিচুকীয়া জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কবিতা ডেকা আৰু শিক্ষাবিদ, সমাজকৰ্মী তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱাক উপদেষ্টা হিচাপে লৈ এখনি শক্তিশালী পৰীক্ষা পৰিচালনা সমিতি গঠন কৰা হৈছিল। তাৰ পিছত যোৱা ২২ জুলাইত বিধায়ক ৰূপেশ গোৱালাই পুনৰ উক্ত পৰীক্ষাৰ সন্দৰ্ভত হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক সংবাদমেল আয়োজন কৰি পৰীক্ষাৰ প্ৰস্তুতিৰ সন্দৰ্ভত সংবাদমেল সম্বোধন কৰিছিল। প্ৰাৰম্ভিক তথা ২০২৩ বৰ্ষ (প্ৰতিভা সন্ধানী পৰীক্ষা-২০২৩) ৰ অভূতপূৰ্ব সফলতাৰ পিছত এইবাৰ দুগুণ উদ্যম আৰু উৎসাহেৰে ৪ আগষ্টত চাৰিটা কেন্দ্ৰত অনুষ্ঠিত কৰা পৰীক্ষাত মুঠ ১৬০০ ৰো অধিক পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। উল্লেখ্য যে, প্ৰাৰম্ভিক বৰ্ষৰ পৰীক্ষাতো ১৬০০ ৰো অধিক ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। ২০২৩ বৰ্ষৰ ২৫ জুনত অনুষ্ঠিত হৈছিল উক্ত পৰীক্ষা। পৰীক্ষাত স্থান লাভ কৰিববলৈ সক্ষম হোৱা শীৰ্ষ ২০ গৰাকী ছাত্ৰ-ছাত্ৰীক নগদ ধনেৰে পুৰস্কৃত কৰিছিল বিধায়ক ৰূপেশ গোৱালাই। এইবাৰৰ পৰীক্ষাত প্ৰথম পঞ্চাশটা স্থান লাভ কৰা শিক্ষাৰ্থীসকলক আনুষ্ঠানিকভাৱে অভিনন্দন জনোৱাৰ লগতে তেওঁলোকক পুৰস্কাৰ প্ৰদান কৰিবৰ বাবে অহা ১৪ ডিচেম্বৰৰ দিনৰ ১২.৩০ বজাত ৰূপাইস্থিত ডুমডুমা মহাবিদ্যালয়ৰ কল্লোল প্ৰেক্ষাগৃহত বিস্তৃত কাৰ্যসূচীৰে এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰিছে পৰীক্ষাৰ পৰিচালনা সমিতিয়ে।

# মাজুলী গড়মূৰত জুইৰ আতংক!

**ই-সংবাদ, মাজুলী, ১২ ডিচেম্বৰঃ** বুধবাৰে নিশা গড়মূৰ থানা চৌহদত দুখন গাড়ীত অগ্নি সংযোগ কৰি কোনো দুৰ্বৃত্তই জুলাই দিয়াৰ পাছতো আৰক্ষীয়ে আজি পৰ্যন্ত কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম নহ'ল। পুনৰ যোৱা নিশা গড়মূৰ অঞ্চলৰে ৮৭ নং কেৰেলা গাঁও প্ৰাথমিক বিদ্যালয়ত কিছু সামগ্ৰী বিদ্যালয়ৰ ভিতৰতে জ্বলোৱাৰ দৰে ঘটনা পোহৰলৈ আহিছে। আজি পুৱা বিদ্যালয়ত বিদ্যালয় কৰ্তৃপক্ষ উপস্থিত হৈ প্ৰত্যক্ষ কৰে বিদ্যালয়খনত চুৰি কাৰ্য সংঘটিত হোৱাৰ লগতে আচবাব জ্বলোৱাৰ দৃশ্য। বিদ্যালয়খনৰ ভিতৰত ব্লেকবৰ্ড মছা ডাষ্টাৰ নিশা কোনো দুৰ্বৃত্তই বিদ্যালয়ৰ ভিতৰত জ্বলোৱাৰ লগতে কিছু ছাত্ৰ-ছাত্ৰীৰ খেলা সামগ্ৰী চোৰ কৰি নিয়ে। এতিয়া মাজুলীত নিৰাপত্তাহীনতাত ভুগিছে মাজুলীবাসী। মাজুলী গড়মূৰ স্মাৰ্ট পুলিচে নিজৰ থানাকেই সুৰক্ষা কৰিব নোৱাৰে সাধাৰণ নাগৰিকক এতিয়া কেনেকৈ সুৰক্ষিত কৰিব বুলি প্ৰশ্ন উঠিছে মাজুলীত। ইটোৰ পাছত সিটো ঘটনা সংঘটিত হৈ থকালৈ চাই এটা বৃহৎ চক্ৰ জড়িত হৈ থকাৰ সন্দেহ কৰিছে ৰাইজে। এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনক সক্ৰিয় হৈ ৰাতি টহলৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে ৰাইজে।

# অৰুণোদয়ৰ হিতাধিকাৰীসকল ভাগ্যৱান! হাজোত ক'লে ভবেশ কলিতাই

**ই-সংবাদ, হাজো, ১২ ডিচেম্বৰঃ** অৰুণোদয় আঁচনি লাভ কৰা লোকসকল ভাগ্যৱান লোক। তেওঁলোকৰ কপালত লিখা আছে বাবেই তেওঁলোকে আজি লাভ কৰিছে চৰকাৰী আঁচনিৰ ধন।- এই মন্তব্য ৰঙিয়াৰ বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ। কংগ্ৰেছ দলক ইতিকিংসূচক মন্তব্য কৰি ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে কয় যে কংগ্ৰেছৰ ভাগ্যৱান মানুহ নাই। কংগ্ৰেছৰ লোকসকলে এতিয়া পৰ্বতত কাছৰ কণী বিচাৰি ফুৰিছে। আনহাতে, মন্ত্ৰী, বিধায়কৰ দৰমহা বৃদ্ধি সন্দৰ্ভত ৰঙিয়াৰ বিধায়ক তথা বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই কয় দৰমহা বৃদ্ধিক লৈ তেওঁৰ কোনো মতলব নাই। এটকা নিদিলেও ভঁৰালৰ ধান বেচি জীয়াই থাকিব পাৰিব বুলি সাংবাদিকৰ আগত হাজো বিজেপিৰ মুখ্য কাৰ্যালয়ত মন্তব্য কৰে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই।

# বেবেজীয়াত একেদিনাই ১৬ টা পথৰ আধাৰশিলা স্থাপন বিধায়ক শশীকান্ত দাসৰ




**ই-সংবাদ, বেবেজীয়া, ১২ ডিচেম্বৰঃ** নগাঁও জিলাৰ ৰহা সমষ্টিৰ এলেকাধীন বৃহত্তৰ বেবেজীয়া অঞ্চলৰ ১৬টা পথৰ আধাৰশিলা স্থাপন কৰে স্থানীয় বিধায়ক শশীকান্ত দাসে। বিধায়কগৰাকীয়ে একেদিনাই সমষ্টিটোৰ ৯টা বুথৰ ডিমৌ বেবেজীয়া, খাটগুৰি বেবেজীয়া, জামুগুৰি, কুৰুৱাবাহী, লথাবৰি, শেতালী, কুঁজাৰবড়ি, ডিমৌ বাইপাচৰ পৰা নগাঁও চহৰলৈ প্ৰৱেশ পথ, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নিজ ডিমৌ উবুল বৰদলৈ গৃহ পথকে ধৰি সৰ্বমুঠ ১৬টা পথৰ আধাৰশিলা স্থাপন কৰে। উক্ত পথসমূহৰ আধাৰশিলা স্থাপন কৰি বিধায়ক শশীকান্ত দাসে কয়ে যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই গ্ৰামাঞ্চলৰ উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। তাৰেই অংশ হিচাপে এই পথসমূহৰ আধাৰশিলা স্থাপন কৰা হৈছে। তেওঁ লগতে সমষ্টিৰ উন্নয়নেই একমাত্ৰ লক্ষ্য বুলি উল্লেখ কৰি সমষ্টিৰ উন্নয়নৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। আধাৰশিলা স্থাপন উপলক্ষে আয়োজিত অনুষ্ঠানত বিজেপিৰ জ্যেষ্ঠ নেতা সুবৰ্ণ সিং, তিৱা স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিশ্বজ্যোতি পাটৰ, লোক নিৰ্মাণ বিভাগৰ এছ ডি অ' আব্দুৰ ৰৌফ, শালমৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী ববীতা মেধি, সমাজকৰ্মী ৰাজীৱ বৰা, জগদীশ নাথ, অনুপম দাসকে ধৰি বহুজন উপস্থিত থাকে।

# মথুৰাপুৰৰ মাজগাঁৱৰ বৃদ্ধাশ্ৰমত স্বাস্থ্য পৰীক্ষা শিবিৰ

**ই-সংবাদ, মথুৰাপুৰ, ১২ ডিচেম্বৰঃ** জয়শ্ৰী টি এণ্ড ইণ্ডাষ্ট্ৰিজ লিমিটেড টাওকাক চাহ বাগিচা গ্ৰুপৰ তৰফৰ পৰা চৰাইদেউ জিলাৰ মথুৰাপুৰ মাজগাঁওস্থিত বৃদ্ধাশ্ৰমত বৃহস্পতিবাৰে এক সজাগতা শিবিৰ অনুষ্ঠিত কৰি আশ্ৰমখনত থকা ককা-আইতাসকলৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে দৰৱ বিতৰণ কৰা হয়। ইয়াৰ লগতে ঠাণ্ডাৰ পৰা কিছু সকাহ পোৱাৰ উদ্দেশ্যে প্ৰায় কুৰিগৰাকী ককা-আইতাৰ মাজত একোখনকৈ কম্বল বিতৰণ কৰে। উক্ত অনুষ্ঠানটো পৰিচালনা কৰে টাওকাক চাহ বাগিচা গ্ৰুপৰ জেনেৰেল মেনেজাৰ কুশবান্ত সিং, টাওকাক চাহ বাগিচাৰ স্বাস্থ্য বিষয়া ডাঃ অৰিন্দম গাংগুলীয়ে। লগতে সহযোগিতা আগবঢ়ায় জেনেৰেল মেনেজাৰ কুশবান্ত সিঙৰ পৰিবাৰ হৰ্ষকুমাৰী ৰাথোৰ সিং, ডাক্তৰ অৰিন্দম গাংগুলীৰ পৰিবাৰ সীমা গাংগুলী, সোণাৰি পৌৰ সভাৰ ২ নং ৱাৰ্ডৰ ৱাৰ্ড সদস্যা মিতালী মণ্ডল আৰু সোণাৰি অঞ্চলৰ শান্তা সূত্ৰধৰে।

# চামগুৰিৰ তেলিয়াগাঁৱত পথ দুৰ্ঘটনা, মৃত্যু ১

**ই-সংবাদ, পুৰণিগুদাম, ১২ ডিচেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তেলিয়াগাঁও অঞ্চলৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত কালি সন্ধিয়া সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, কালি সন্ধিয়াৰ সময়ত চামগুৰি দিশৰ পৰা নগাঁও অভিমুখে আহি থকা এএছ-০২ এজি- ৯২৩১ নম্বৰৰ স্কুটিখনে চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত তেলিয়াগাঁও দলঙৰ সমীপৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত সৰ্বেশ্বৰ দাস(খুপলাল) (৬০) নামৰ লোকজনক খুন্দা মাৰে। ফলত লোকজন গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত স্থানীয় লোক উপস্থিত হৈ গুৰুতৰভাৱে আহত হোৱা লোকজনক চিকিৎসাৰ বাবে নগাঁৱৰ চিকিৎসালয়লৈ নিয়ে যদিও পৰৱৰ্তী সময়ত লোকজনৰ মৃত্যু হয় বুলি জানিব পৰা গৈছে। আনহাতে, পৰৱৰ্তী সময়ত ঘটনাস্থলীত এটা আৰক্ষী দল উপস্থিত হৈ স্কুটিখন জব্দ কৰাৰ লগতে পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকজনৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# ডিব্ৰুগড়ত নৱনিযুক্ত শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনক উষ্ম আদৰণি

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১২ ডিচেম্বৰঃ** অসম চৰকাৰৰ কেবিনেটত নতুনকৈ মন্ত্ৰিত্ব লাভ কৰাৰ পিছতে বৃহস্পতিবাৰে নিজ সমষ্টিত উপস্থিত হয় মন্ত্ৰী প্ৰশান্ত ফুকন। মন্ত্ৰীগৰাকীক আজি উষ্ম আদৰণি জনোৱা হয়। ডিব্ৰুগড় বিমান বন্দৰত অৱতৰণ কৰাৰ পাছতে মন্ত্ৰীগৰাকীক বহুকেইখন বাহনেৰে নিজ সমষ্টি ডিব্ৰুগড় টাউনলৈ আদৰি আনে বিজেপি কৰ্মীসকলে। এই সময়ছোৱাত ঠায়ে ঠায়ে গামোচা আৰু মালা পিন্ধাই উষ্ম আদৰণি জনায় মন্ত্ৰীগৰাকীক। নিজ সমষ্টি ডিব্ৰুগড় সদৰত নৱনিযুক্ত শক্তি, দক্ষতা, নিয়োগ, উদ্যমিতা বিকাশ আৰু মেডিকেল শিক্ষা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত হোৱাৰ লগে লগে সহস্ৰাধিক বিজেপিৰ কাৰ্যকৰ্তাই নিজ গৃহলৈ ঢোলে-ডগৰে বিশাল ৰেলীৰে আদৰি নিয়াৰ পিছতে জিলা কমিটীৰ লগতে সমষ্টি কাৰ্যকৰ্তাসকলে মন্ত্ৰীগৰাকীক সম্বৰ্ধনা জনায়। তেওঁ মুখ্যমন্ত্ৰীয়ে দিয়া বিভাগৰ দায়িত্ব নিষ্ঠাৰে পালন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। 'মোৰ হাতত যিহেতু সময় অতি কম, গতিকে বিভাগৰ কাম যথাসাধ্য কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিম' বুলি দলীয় কৰ্মীসকলক আশ্বাস প্ৰদান কৰে মন্ত্ৰী প্ৰশান্ত ফুকনে।




মথুৰাপুৰত বৃদ্ধাশ্ৰমত স্বাস্থ্য পৰীক্ষা শিবিৰ

# ৮ মাহৰ বিৰতিৰ পিছত নিমাতী-মাজুলীৰ মাজত পুনৰ চলিল নৈশ যাত্ৰীবাহী ফেৰী, যাত্ৰীৰ মাজত আনন্দ

**ই-সংবাদ, মাজুলী, ১২ ডিচেম্বৰঃ** মাজুলীবাসীৰ এটা দীৰ্ঘদিনীয়া সমস্যা নিশাৰ ভাগত নিমাতী আৰু মাজুলীৰ মাজত ফেৰী সেৱা বন্ধ থকাৰ ফলত মাজুলীৰ জৰুৰীকালীন ৰোগীক উন্নত চিকিৎসাৰ বাবে মাজুলীৰ পৰা যোৰহাটলৈ নিবলৈ বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হয়। যাৰ বাবে বহু লোক অকালতে হেৰুৱাব লগা হৈছে। ইয়াৰ উপৰি মাজুলী আৰু নিমাতীৰ মাজত চলাচল কৰা ফেৰী বিয়লি চাৰি বজালৈ চলাচল কৰে। চাৰি বজাৰ পাছত মাজুলীলৈ কোনো ধৰণৰ যাত্ৰীবাহী ফেৰী চলাচল নহয়। যাৰ পৰিপ্ৰেক্ষিতত পুৱাতে মাজুলীৰ পৰা যোৰহাটলৈ চিকিৎসাৰ কামতেই হওক বা অন্যান্য কামত যোৱা ব্যক্তিসকলে বিয়লি মাজুলীলৈ উভতি আহিবলৈ চাৰি বজাৰ ফেৰী ধৰিব নোৱাৰিলে ঘাটৰ পৰা উভতি যোৰহাটত অধিক ধন খৰচ কৰি থাকিব লগা হয়। সেই সমস্যা যেন এতিয়া পুনৰ ওৰ পৰাৰ উপক্ৰম হৈছে মাজুলীবাসীৰ বাবে। কিয়নো মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সদিচ্ছাত মাজুলীবাসীয়ে এই বছৰে যোৱা ১০ মাৰ্চ তাৰিখৰ পৰা মাজুলী-নিমাতীৰ মাজত নৈশ চলাচল কৰা এখন যাত্ৰীবাহী ফেৰী আৰম্ভ কৰিছিল। কিন্তু এই ফেৰী সেৱা কেইদিনমান চলাচল কৰাৰ পাছতেই বিভিন্ন কাৰণত বন্ধ হৈ গৈছিল। মাজুলীৰ ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ এই ফেৰী সেৱা আৰম্ভ হ'ব। আজিৰ পৰা মাজুলীৰ অফলামুখ ঘাটৰ পৰা নিমাতী ঘাটলৈ চলিছে এমভি জাহ্নৱী নামৰ নৈশ ফেৰীখন। আজি সন্ধ্যা ৫ বজাত নিমাতী ঘাটৰ পৰা মাজুলীৰ আফলামুখ ঘাটলৈ ফেৰীখনে যাত্ৰী লৈ ৰাওনা হোৱাৰ লগতে মাজুলীৰ আফলামুখ ঘাটৰ পৰা নিমাতী ঘাটলৈ ৰাতি ৭ বজাত ৰাওনা হয়। পুনৰ আঠ মাহ বিৰতিৰ পাছত আৰম্ভ কৰা এই ফেৰী সেৱাই মাজুলীবাসীক উপকৃত কৰিব। মাজুলী আৰু নিমাতীৰ মাজত নৈশ ফেৰী চলাচল কৰাৰ ব্যৱস্থা কৰাত ৰাইজে আদৰণি জনাইছে। উল্লেখ্য যে মাজুলী-নিমাতীৰ মাজত নিৰ্মাণ কাৰ্য আৰম্ভ কৰা দলংখন বৰ্তমান বিভিন্ন কাৰণত বন্ধ হৈ আছে। মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে দলংখনৰ পুনৰ নিবিদা হ'ব। কিন্তু এই নিবিদা কেতিয়া হ'ব এই লৈও মাজুলীত চৰ্চা চলিছে। পুনৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ হোৱালৈ চাই মাজুলী-যোৰহাট দলং যে পুনৰ নিৰ্মাণ পিছুৱাই যাব এইটো খাটাং। এতিয়া কেতিয়া নিবিদা আৰম্ভ হ'ব আৰু মাজুলীবাসীয়ে যাতায়াতৰ ক্ষেত্ৰত আৰু কিমান যন্ত্ৰণা ভুগিব লাগিব- এই লৈও প্ৰশ্নৰ সৃষ্টি হৈছে।

## পাঞ্জাবাৰীত আদিবাসী কল্যাণ উন্নয়ন পৰিষদৰ কাৰ্যালয় মুকলি



**ই-সংবাদ, ১২ ডিচেম্বৰঃ** অসমৰ আদিবাসীৰ সশস্ত্ৰ বিদ্ৰোহী সংগঠনসমূহে অসমৰ চৰকাৰৰ তত্বাৱধানত কেন্দ্ৰীয় চৰকাৰৰ সৈতে কেইবালানি আলোচনা কৰি শান্তি চুক্তি কৰিছিল। মূলসুঁতিলৈ উভতি অহা বিদ্ৰোহী সংগঠনসমূহক লৈ ৰাজ্য চৰকাৰে গঠন কৰিছিল আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদ। পিছপৰা, সদা লাঞ্চিত-বঞ্চিত আদিবাসী জনগোষ্ঠীৰ সাধাৰণ ৰাইজৰ উন্নয়নৰ স্বাৰ্থত গঠিত আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদে নতুন ৰূপ দিবলৈ প্ৰয়াস কৰিছে। চৰকাৰে পৰিষদক পুঁজি আৱন্টন দি আঁচনি ৰূপায়নৰ দিশে আগবঢ়াৰ সময়তে আজি গুৱাহাটীত আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ প্ৰশাসনিক কাৰ্যালয় মুকলি কৰা হয়। লগতে আজি পৰিষদখনৰ এটা ৱেবছাইট মুকলি কৰা হয়। মহানগৰীৰ পাঞ্জাবাৰীৰ ৰ'দালি পথত আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ প্ৰশাসনিক কাৰ্যালয় তথা উপ-মুখ্য কাৰ্যবাহী সদস্যৰ কাৰ্যালয় আজি মুকলি কৰা হয়। ৰাজ্য চৰকাৰে নিৰ্মাণ কৰা কাৰ্যালয়টো মুকলি কৰে পৰিষদৰ উপ-কাৰ্যবাহী পিটাৰ দাঙে। নতুনকৈ মুকলি কৰা ভৱনটোৰ পৰা আদিবাসী লোকসকলৰ কল্যাণৰ কাম-কাজে নতুন গতি পাব বুলি কয়। উপ-কাৰ্যবাহী সদস্য পিটাৰ দাঙে আদিবাসী লোকসকলৰ কল্যাণৰ বাবে কাম-কাজসমূহক পাৰদৰ্শী কৰিবলৈ ডিজিটেলাইচেন কৰাৰ বাবে চিন্তা কৰা হৈছে বুলিও কয়। অনুষ্ঠানত পৰিষদৰ কাৰ্যবাহী দ্বিপেন নায়কসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## মৰিগাঁৱত ৰহস্যজনকভাৱে অগ্নিদগ্ধ হৈ এগৰাকী অবিবাহিত মহিলাৰ অকাল মৃত্যু

**ই-সংবাদ, মৰিগাঁও, ১২ ডিচেম্বৰঃ** মৰিগাঁও চহৰৰ ৪ নং ৱাৰ্ডৰ বাকৰীগাঁৱত আজি অগ্নিদগ্ধ হৈ এগৰাকী মহিলাৰ অকাল মৃত্যু হোৱা ঘটনাই চহৰখনত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইফালে এই ঘটনাটোক লৈ বিভিন্ন মহলত ৰহস্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য মতে, নিজ বাসগৃহতে অগ্নিদগ্ধ হৈ মৃত্যু হোৱা মহিলাগৰাকী নাম জুলি মহন্ত। অবিবাহিত এই মহিলাগৰাকীৰ বয়স ৪৮ বছৰ। অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ বৰ্তমানলৈ জানিব পৰা হোৱা নাই। বাকৰিগাঁৱৰ উক্ত বাসগৃহটোত অগ্নিকাণ্ডৰ খবৰ পাই অগ্নিনিৰ্বাপক বাহিনী ততাতৈয়াকৈ উপস্থিত হৈ জুই নিৰ্বাপণ কৰে যদিও মহিলাগৰাকী ইতিপূৰ্বে সম্পূৰ্ণৰূপে অগ্নিদগ্ধ হৈ মৃত্যুক সাবটি লয়। ঘটনাস্থলীত মৰিগাঁৱৰ এগৰাকী কাৰ্যবাহী দণ্ডাধীশৰ লগতে অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত মৰিগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসহ আৰক্ষীৰ এটা দল উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে মৃত মহিলাগৰাকীক উদ্ধাৰ কৰি মৰোণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মহিলাগৰাকীৰ ৰহস্যজনক মৃত্যু আৰু অগ্নিকাণ্ডটো কাৰণ বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। উল্লেখ্য যে একেটা বাসগৃহতে ১৯ বছৰ পূৰ্বে অগ্নিদগ্ধ হৈ এগৰাকী বোৱাৰীৰো মৃত্যু হৈছিল।

## ৰঙিয়াত সদৌ অসম প্ৰাথমিক অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সংস্থাৰ সভা

**ই-সংবাদ, ৰঙিয়া, ১২ ডিচেম্বৰঃ** ৰঙিয়াত সদৌ অসম প্ৰাথমিক অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সংস্থা (নৰ প্ৰাদেশীকৃত)ৰ আজি গুৰুত্বপূৰ্ণ এখন সভা অনুষ্ঠিত কৰা হয়। সংগঠনটোৰ স্থানীয় মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সভাখনত সভাপতিত্ব কৰে কৰ্ম নিৰ্ধাৰণ সমিতিৰ সভাপতি ধৰণী ধৰ তামুলীয়ে। সভাত ২০১৩ চনৰ পিছত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলক এতিয়াও পেন্সন দিয়াৰ কোনো ধৰণৰ ব্যৱস্থা চৰকাৰে নোলোৱাত সংস্থাই ক্ষোভ প্ৰকাশ কৰি চৰকাৰক আন্দোলনৰে দাবী জনাবলৈ সিদ্ধান্ত লয়। বহু সংখ্যক জিলাৰ জিলা শিক্ষা বিষয়াই বিভিন্ন ধৰণৰ অজুহাত দেখুৱাই গ্ৰেচুইটিৰ ধন মোকলাই দিয়া নাই। যাৰ পৰিপ্ৰেক্ষিতত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীসকলে জিলা শিক্ষা বিষয়াৰকাৰ্যালয় লৈ তাত-বাটি কাৰি ভাগৰি পৰা বুলিও ক্ষোভ প্ৰকাশ কৰে। সভাত অহা ২৯ ডিচেম্বৰত গুৱাহাটীত ৩১ খন জিলা সামৰি গঠন হোৱা ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহক সভা এখন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ লোৱা হয়। উক্ত সভাত পৰৱৰ্তী কাৰ্যপন্থা সম্পৰ্কে সিদ্ধান্ত লোৱাৰ লগতে জানুৱাৰী মাহৰ পৰা ধাৰাবাহিক আন্দোলনৰ কাৰ্যসূচী হাতত লোৱাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়।

## ছাগলীয়াত অবৈধ চুপাৰি ভৰ্তি ট্ৰাক জব্দ, ধৃত চালক

**ই-সংবাদ, গোলকগঞ্জ, ১২ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ অসম পশ্চিমবংগ সীমান্তৰ ছাগলীয়াত আজি পুৱা আৰক্ষীয়ে অভিযান চলাই এখন অবৈধ চুপাৰী কঢ়িওৱা ট্ৰাক জব্দ কৰে। ছাগলীয়া আৰক্ষী ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত চলোৱা নিয়মীয়া তালাচীত NL 01AG 8523 নম্বৰৰ ট্ৰাক এখন জব্দ কৰে। ট্ৰাকখনত তালাচী চলোৱাত কৰ ফাঁকিৰে পশ্চিমবংগ লৈ চালান দিবলৈ ধৰা প্ৰায় বাইচ কুইন্টল বাৰ্মিচ চুপাৰী উদ্ধাৰ কৰাৰ লগতে দিলোৱাৰ হুছেইন নামৰ চালকজনক আটক কৰে।

## হাজোত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা

# ঐতিহাসিক গৰ্জন বিলত কৃত্ৰিম হ্ৰদ খান্দি বানপানী ৰোধৰ বিশেষ আঁচনি ঘোষণা



**ই-সংবাদ, হাজো, ১২ ডিচেম্বৰঃ** হাজোৰ ঐতিহাসিক গৰ্জন বিলত আজি উপস্থিত হয় অসম চৰকাৰৰ জল সম্পদ মন্ত্ৰী পীযুষ হাজৰিকা। আজি মন্ত্ৰীগৰাকীয়ে বানপানী প্ৰতিৰোধৰ বাবে চৰকাৰী আঁচনি লৈ উপস্থিত হয় হাজোত। দিনৰ প্ৰায় এঘাৰ বজাত মন্ত্ৰী পীযুষ হাজৰিকা হাজোৰ ভেল্যাবৰী অঞ্চলত উপস্থিত হৈ উক্ত অঞ্চলটোৰ ঐতিহাসিক গৰ্জন বিল পৰিদৰ্শন কৰি হাজোৰ লগতে কমলপুৰ, ৰঙিয়া সমষ্টিৰ জনসাধাৰণক বানপানীৰ পৰা সকাহ দিবলৈ গৰ্জন বিলত ২ বৰ্গ কিলোমিটাৰৰ ডাঙৰ হ্ৰদ খান্দি তাত পানী জমা কৰি সেই পানী খৰালি কালত ওচৰেৰে বৈ যোৱা পুঠিমাৰী নৈত পেলোৱাৰ উদ্দেশ্যে পৰিকল্পনা কৰি চৰজমিন তদন্ত কৰে। লগতে মন্ত্ৰীগৰাকীয়ে ৰাইজৰ আগত কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে অসমৰ বানপানী সমস্যা ৰোধৰ কৰাৰ বাবে বিশেষজ্ঞৰ সৈতে আলোচনা কৰি অসমৰ ভিন্ন স্থানৰ দ অঞ্চলসমূহত বৃহৎ বৃহৎ পুখুৰী অথবা হ্ৰদ খান্দিবলৈ আঁচনি যুগুত কৰিছে। কেন্দ্ৰীয় চৰকাৰে এই আঁচনিৰ বাবে ধন আবণ্টন দিয়া বুলিও প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। হাজোৰ ভেল্যাবৰীত অনুষ্ঠিত এই অনুষ্ঠানত মন্ত্ৰীগৰাকীক সংগ দিয়ে অসম বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, অসম যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মা, অসম ৰাজ্যিক অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি প্ৰকাশ দাসসহ কেবাজনো নেতা-কৰ্মীয়ে।

# ৰঙিয়াত কামৰূপ জিলা ছাত্ৰ সন্থাৰ বিক্ষোভ

**ই-সংবাদ, ৰঙিয়া, ১২ ডিচেম্বৰঃ** ৰঙিয়াত বন্দে ভাৰতৰ ষ্টপেজ দিয়াকে ধৰি আন কেবাটাও দাবীৰ সমৰ্থনত আজি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই বিক্ষোভ প্ৰদৰ্শন কৰে। ৰঙিয়া নগৰত বিশাল প্ৰতিবাদী সমদলৰে নাগৰিক মঞ্চ, অসম ৰে'ল যাত্ৰী সংস্থাকে ধৰি বিভিন্ন দল-সংগঠন আৰু স্থানীয় সচেতন ৰাইজৰ সহযোগত ৰে'ল বিভাগৰ ৰঙিয়া মাণ্ডলিক বিষয়াৰ কাৰ্যালয়ঘেৰাও কৰে প্ৰতিবাদকাৰীসকলে। কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, সম্পাদক তৌফিকুৰ ৰহমান, নাগৰিক মঞ্চৰ সভাপতি অনন্ত ডেকা, অসম ৰেলযাত্ৰী সংস্থাৰ সম্পাদক দিপংকৰ শৰ্মা প্ৰমুখ্যে নেতৃবৃন্দৰ নেতৃত্বত উলিওৱা সমদলটোত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক ভৱজ্যোতি ডেকা, কামৰূপ জিলা সমিতিৰ উপদেষ্টা ধীৰাজৰাজবংশী, গোলোক ৰাজবংশীৰ লগতে বিভিন্ন আঞ্চলিকৰ নেতৃবৃন্দইও অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে ৰঙিয়া ষ্টেচনত স্থানীয় লোকক ব্যৱসায়িক কামত সুবিধা দিয়া, ৰঙিয়া ষ্টেচনত যাত্ৰীৰ বাবে সুবিধা বৃদ্ধিকে ধৰি দহটা দাবী সম্বলিত স্মাৰক পত্ৰ মাণ্ডলিক প্ৰবন্ধকগৰাকীক প্ৰদান কৰে।

# দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ ৬২সংখ্যক বাৰ্ষিক অধিৱেশন

ই-সংবাদ, ধূপধৰা, ১২ ডিচেম্বৰঃ দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ ৬২ সংখ্যক বাৰ্ষিক অধিৱেশনখন অহা ৩০, ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ধূপধৰাত অনুষ্ঠিত হ'ব। ৰাভা জনগোষ্ঠীৰ অন্যতম সামাজিক অনুষ্ঠান দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ অধীনস্থ ধূপধৰাৰ প্ৰগতি ৰাভা শাখা সমাজৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া এই বাৰ্ষিক অধিৱেশন উপলক্ষে আজি ধূপধৰা ৰাজহুৱা খেলপথাৰত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ টংকেশ্বৰ ৰাভাই মাংগলিক কাৰ্যসূচীৰে অধিৱেশনৰ লাইখুঁটা স্থাপন কৰে। লাইখুঁটা স্থাপন কৰি টংকেশ্বৰ ৰাভাই কয় - 'দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজ হৈছে ৰাভা জনগোষ্ঠীৰ সমাজ জীৱনক পৰিচালনা কৰা এটা ঐতিহাসিক অনুষ্ঠান। দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজে বছৰ বছৰ ধৰি ৰাভা জনগোষ্ঠীটোৰ সামাজিক ৰীতি-নীতিসমূহ তথা সমাজখনক সুন্দৰভাৱে পৰিচালনা কৰাৰ ইয়াৰ পিছতে তেওঁ উল্লেখ কৰে যে ৰাভা হাক্ষেত্ৰত নেতৃত্ব বহন কৰি আহিছে।' অনুষ্ঠানটোৱে ভৱিষ্যতেও এনেদৰে সমাজখনক আগুৱাই নিয়াৰ ক্ষেত্ৰত নেতৃত্ব দি যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।ছং স্বায়ত্তশাসিত পৰিষদৰ আৰ্থিক সাহায্যৰে দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ ৰংজুলিস্থিত কাৰ্যালয়টো নতুনকৈ স্থায়ী কাৰ্যালয় হিচাপে নিৰ্মাণ কৰা হ'ব। ভাষণত তেওঁ জানিবলৈ দিয়া মতে পৰিষদৰ তৰফৰ পৰা সৰ্বমুঠ পয়সত্তৰ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া কাৰ্যালয় ভৱনটোৰ বাবে ইতিমধ্যে চল্লিশ লাখ টকা পৰিষদে আবণ্টন দিছে । ইয়াৰ উপৰি এই অধিৱেশনত হ'বলগীয়া প্ৰকাশনৰ ব্যয়ৰ বাবে পৰিষদৰ তৰফৰ পৰা এক লাখ টকাৰ সাহায্য প্ৰদান কৰাৰ কথাও তেওঁ ঘোষণা কৰে। ইফালে অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক জ্যোতিপ্ৰসাদ ৰাভাই আঁত ধৰা এই লাইখুঁটা স্থাপন কাৰ্যসূচীত দুধনৈ পূৰ্বাঞ্চল ৰাভা সমাজৰ সভাপতি বিচিত্ৰ নাৰায়ন ৰাভা, সম্পাদক দিগন্ত ৰাভা, মহিলা সমাজৰ সভানেত্ৰী দীনৱতী ৰাভা, সম্পাদিকা হেমা ৰাভা, যুৱ পৰিষদৰ সভাপতি বাবুল ৰাভা, সম্পাদক অৰবিন্দ ৰাভা তথা উপদেষ্টা সুনীল ৰাভা উপস্থিত থাকে। ইয়াৰ উপৰি বিকালী মৌজা উন্নয়ন সমিতিৰ সভাপতি লৱ কুমাৰ কছাৰী, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক তিলক ৰাভা, গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ সম্পাদক কুকিল দাস, ধূপধৰা তিনিদলীয়া ৰাইজৰ সম্পাদক তথা মুছলিম ৰাইজৰ সভাপতি ছাজ্জাদ গণি, শ্ৰী শ্ৰী জগতগুৰু নামঘৰ ৰাইজৰ সভাপতি শিৱেন্দ্ৰ পাটগিৰী, ৰাভাপাৰা ৰাইজৰ সভাপতি সঞ্জীৱ ৰাভা, অভ্যৰ্থনা সমিতিৰ সভাপতি দশানন ৰাভা, উপদেষ্টা তথা ধূপধৰা মিলন সংঘৰ সভাপতি ডঃ আব্দুল হক আহমেদ, প্ৰগতি শাখা সমাজৰ বিষয়ববীয়াৰ উপৰি বিশিষ্ট ব্যক্তি বাণীকান্ত ৰাভা, প্ৰতুল ৰাভা আদি উপস্থিত থাকে আৰু আটাইকে অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা একোখনকৈ ৰাভা জাতীয় পাজাৰেৰে সম্ভাষণ জনোৱা হয়।

# অসম লোকসেৱা পৰীক্ষাত ডিব্ৰুগড়ৰ এনিশাৰ ২৭ সংখ্যক স্থান লাভ

**ই-সংবাদ, ডিব্ৰুগড়, ১২ ডিচেম্বৰঃ** সৰুৰে পৰা এগৰাকী প্ৰশাসনিক বিষয়া হোৱা সপোন দেখা মেধাৱী ডিব্ৰুগড়ৰ চিৰিং চাপৰিৰ এনিশা বৰুৱাই চলিত বৰ্ষৰ সদ্য ঘোষিত অসম লোকসেৱা আয়োগৰ দ্বাৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতামূলক পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে ২৭ সংখ্যক স্থান লাভ কৰি জিলাখনলৈ গৌৰৱ তথা সুনাম কঢ়িয়াই আনিছে। অসম প্ৰশাসনিক সেৱাৰ বাবে নিৰ্বাচিত হোৱা এনিশা বৰুৱাই ডিব্ৰুগড়ৰ ছেইণ্ট মেৰিজ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ডিষ্টিংচনসহ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। ডিব্ৰুগড় ছল্ট ব্ৰুক একাডেমীৰ পৰা বিজ্ঞান শাখাত ডিষ্টিংচন লাভ কৰা পাছত যোৰহাটস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণী স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পাছত বিশ্বনাথ চাৰিআলিৰ কৃষি বিশ্ববিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণীৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি নিজৰ মেধাৰ পৰিচয় দিয়ে। এনিশা বৰুৱা ডিব্ৰুগড়ৰ হাতীআলি এম ভি স্কুলৰ অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক দীপক বৰুৱা আৰু গৃহিণী বৰ্ণালী বৰুৱাৰ কন্যা। ডিব্ৰুগড়ৰ চিৰিংচাপৰিৰ গোবিন্দ শৰ্মা পথৰ বাসিন্দা এনিশা বৰুৱাই সৰুৰে পৰা নিজা প্ৰচেষ্টা আৰু মনোবলৰ বাবেই এনে সফলতা লাভ কৰিবলৈ সক্ষম হয় বুলি পৰিয়াল তথা ওচৰ চুবুৰীয়াই মত প্ৰকাশ কৰিছে। এগৰাকী সফল প্ৰশাসনিক বিষয়া হিচাপে সেৱা আগবঢ়াই নিজৰ দায়িত্ব আৰু কৰ্তব্য কৰি যাবলৈ সদা প্ৰস্তুত বুলি মনৰ ভাব ব্যক্ত কৰিছে। এনিশা বৰুৱাৰ এই সাফল্যৰ বাবে স্থানীয় ৰাইজৰ লগতে বিভিন্নজনে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# সদৌ অসমভিত্তিক প্ৰাইজমানি সৃষ্টিশীল নৃত্য আৰু ক্ৰাফটৰ প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, গেলেকী, ১২ ডিচেম্বৰঃ** নাজিৰাত অৱস্থিত অসমৰ এখন আগশাৰীৰ নৃত্য-গীত আৰু বাদ্যযন্ত্ৰৰ প্ৰশিক্ষণ কেন্দ্ৰ 'বৰদৈচিলা কলাকেন্দ্ৰ'ই প্ৰতিষ্ঠাকালৰে পৰা উঠি অহা প্ৰজন্মক নৃত্য-গীত আৰু বাদ্যযন্ত্ৰৰ প্ৰশিক্ষণ দি আহিছে। এই কলাকেন্দ্ৰই অহা ২২ ডিচেম্বত দ্বিতীয় বৰ্ষ অতিক্ৰম কৰিব। সেয়ে অহা ২২ ডিচেম্বৰত নাজিৰাস্থিত নাট্যমন্দিৰত দ্বি-বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত প্ৰাইজমানি সৃষ্টিশীল নৃত্য আৰু ক্ৰাফটৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ইচ্ছুক প্ৰতিযোগীসকলক 7002581441 ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে আয়োজক সমিতিয়ে।

# তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সংস্থাৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, তামুলপুৰ, ১২ ডিচেম্বৰঃ** তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সংস্থাৰ ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱস ৭ আৰু ৮ ডিচেম্বৰত দুদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি শ্বহীদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি আৰু পতাকা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰে তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ উপ সভাপতি নৃপেন চন্দ্ৰ মেধিয়ে। স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে চিত্ৰলেখা হাজৰিকা আৰু বুলু তালুকদাৰে। পুৱাৰ ভাগত অনুষ্ঠিত বিশেষ সভাখনত উপস্থিত থাকে দীনেশ মহন্ত আৰু প্ৰবুল কুমাৰ গগৈ। ইপিনে, প্ৰতিষ্ঠা দিৱসৰ দ্বিতীয় দিনাৰ পুৱাৰ ভাগত অনুষ্ঠিত মুকলি সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে। মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে তামুলপুৰ জিলাৰ অতিৰিক্ত আয়ুক্ত দীপাংকৰ নাথে। সভাত অতিথি হিচাপে কেপ্টেইন প্ৰাণদ্বীপ, লেফ্টটেনেণ্ড আনন্দ, তামুলপুৰ জিলা পৌৰ সভাৰ অধ্যক্ষ বাণীকান্ত বসুমতাৰী আৰু প্ৰাক্তন সেনা বিষয়া সোণেশ্বৰ দৈমাৰীয়ে অংশগ্ৰহণ কৰে। মুকলি সভাৰ পিছতেই প্ৰাক্তন সেনা বিষয়া, জোৱান, শুভাকাংক্ষী আৰু স্থানীয় কেইবাজনো শিল্পীয়ে ভিন্ন গীত-নৃত্য পৰিৱেশন কৰে। গীত-নৃত্যৰে জীপাল হৈ পৰে প্ৰতিষ্ঠা দিৱসস্থলী।

# ১৪ ডিচেম্বৰত তিনিচুকীয়াত ৰাষ্ট্ৰীয় লোক আদালত

**ই-সংবাদ, ডুমডুমা, ১২ ডিচেম্বৰঃ** অহা ১৪ ডিচেম্বৰত ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত সমগ্ৰ দেশতে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ অংশস্বৰূপে তিনিচুকীয়া চহৰৰ বৰগুৰি (আদালত চৌহদ)স্থিত তিনিচুকীয়া জিলা ন্যায়িক আদালতৰ প্ৰাংগণৰ লগতে শদিয়া আৰু মাৰ্ঘেৰিটা সমজিলাৰ ন্যায়িক দণ্ডাধীশৰ আদালত প্ৰাংগণতো পুৱা ১০:০০ বজাৰ পৰা তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণে লোক আদালত অনুষ্ঠিত কৰিব। য'ত আদালতত চলি থকা বিভিন্ন গোচৰৰ লগতে গোচৰযোগ্য বিবাদৰো এজন ন্যায়িক বিষয়া আৰু এজন বা ততোধিক মধ্যস্থতাকাৰীৰে গঠিত লোক আদালত বিচাৰপীঠে পক্ষসমূহৰ সন্মতিক্ৰমে সৌহাৰ্দ্যপূৰ্ণভাৱে আপোচ মীমাংসা কৰিব। আদালতত চলি থকা গোচৰসমূহ উক্ত লোক আদালতত মীমাংসা হ'লে গোচৰৰ কোৰ্ট ফী (Court fee) ঘূৰাই দিয়া হ'ব। উক্ত লোক আদালতত উপস্থাপন হ'বলগীয়া গোচৰৰ পক্ষসমূহক উল্লিখিত তাৰিখ, সময় আৰু স্থানত উপস্থিত থাকিবলৈ ইতিমধ্যে জাননী প্ৰেৰণ কৰা হৈছে। অধিক তথ্যৰ বাবে জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ত ই-মেইল যোগে ( dlsatinsukia@gmail.com) অথবা ফোনযোগে (৬৯০১২-৮১৬৪৭) যোগাযোগ কৰিব পাৰিব বুলি তিনিচুকীয়া জিলা আইন সেৱা প্ৰাধিকৰণ সচিবে জানিবলৈ দিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# প্ৰাঞ্জল এ. শৰ্মাৰ ‘আত্মাৰ বলিশাল’ নাটকে মুহিছে দৰ্শকক

## এখন আগশাৰীৰ মিনি থিয়েটাৰ হৈছে আমৃখোৱাৰ শতাব্দী মিনি থিয়েটাৰ। তৃতীয় নাট্যবৰ্ষত তেওঁলোকে মঞ্চস্থ কৰি আছে খ্যাতিমান সাংবাদিক, কবি, চিত্ৰনাট্যকাৰ প্ৰাঞ্জল এ. শৰ্মাৰ ৰচনা আৰু পৰিচালনাৰে ‘আত্মাৰ বলিশাল’



■ অতুল মালাকাৰ

অসমত মনোৰঞ্জনমূলকভাৱে নাট প্ৰদৰ্শনৰ ইতিহাস খুচৰিলে আমি যাত্ৰা পাৰ্টীৰ পৰাই আৰম্ভ কৰিব লাগিব। একালৰ সেই যাত্ৰা অভিনয়ে কাৰক্ৰমত গৈ বৰ্তমানৰ জনপ্ৰিয় ভ্ৰাম্যমাণ থিয়েটাৰৰ ৰূপ পালে। পেছাগতভাৱে, ব্যৱসায়িক দৃষ্টিভংগীৰে নাট প্ৰদৰ্শনৰ এই ধাৰাত ভ্ৰাম্যমাণ থিয়েটাৰৰ সমান্তৰালকৈ বিভিন্ন নাট্যগোষ্ঠী, যাত্ৰা-পাৰ্টী আৰু অতি শেহতীয়াকৈ মিনি থিয়েটাৰসমূহৰ কথা উল্লেখ কৰিব লাগিব। নামনি অসমৰ বিভিন্ন প্ৰান্তত এতিয়া মিনি থিয়েটাৰৰ জনপ্ৰিয়তা অপাৰ। বহুকেইখন মিনি থিয়েটাৰে ভ্ৰাম্যমাণ থিয়েটাৰৰ দৰেই বিভিন্ন অনুষ্ঠানৰ আমন্ত্ৰণক্ৰমে ব্যৱসায়িকভাৱে নাট প্ৰদৰ্শন কৰি আছে। তাৰে ভিতৰত শতাব্দী মিনি থিয়েটাৰ, ৰাজগুৰু মিনি থিয়েটাৰ, পাপৰি মিনি থিয়েটাৰ, ময়ুৰপংখী মিনি থিয়েটাৰ আদি অন্যতম। বিভিন্ন মাংগলিক অনুষ্ঠানত এই থিয়েটাৰসমূহক এনিশাৰ নাট প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ কৰা হয়। তেনেকুৱা এখন আগশাৰীৰ মিনি থিয়েটাৰ হৈছে আমৃখোৱাৰ শতাব্দী মিনি থিয়েটাৰ। তৃতীয় নাট্যবৰ্ষত তেওঁলোকে মঞ্চস্থ কৰি আছে খ্যাতিমান সাংবাদিক, কবি, চিত্ৰনাট্যকাৰ প্ৰাঞ্জল এ.শৰ্মাৰ ৰচনা আৰু পৰিচালনাৰে আত্মাৰ বলিশাল নাটকখন। বিশ্বখ্যাত নাটক উইলিয়াম শ্বেইকছপিয়েৰৰ অথেলো নাটকখনৰ কাহিনীটোকে সাৰ হিচাপে লৈ এখন অসমীয়া সমাজৰ পটভূমিত লিখি উলিওৱা নাটকখনে মূলতঃ বৰ্তমান অসমীয়া সমাজৰ বাবে ভয়াৱহ ব্যাধি হিচাপে দেখা দিয়া ড্ৰাগছৰ সমস্যাটোক সম্বোধন কৰিছে। ইতিমধ্যেই নামনি অসমৰ বহুকেইটা স্থানত মঞ্চস্থ হোৱা আত্মাৰ বলিশাল নাটকখনে দৰ্শকৰ পৰা বিপুল আদৰ আৰু সহাৰি লাভ কৰা পৰিলক্ষিত হৈছে। কামৰূপ জিলাৰ হাজোত সহস্ৰাধিক দৰ্শকৰ সৈতে সেই নাটকখন উপভোগ কৰাৰ সৌভাগ্য হৈছিল। নাটকখনৰ আটাইতকৈ ভাল লগা দিশটোৱেই হৈছে নাটকখনৰ কাহিনীৰ গতি। এটা মুহূৰ্তৰ বাবেও মঞ্চৰ পৰা দৃষ্টি আঁতৰ কৰাৰ অৱকাশ দিয়া নাই নাট্যকাৰে। নাটকখনৰ দৃশ্যসজ্জা আৰু পৰিচালনা এনেকুৱা ধৰণে গাঁঠি পেলোৱা হৈছে যে দৰ্শকে অলপো আমনি নোপোৱাকৈ একেবাৰে শেষৰ দৃশ্যটোলৈকে নাটকখন চাই থাকিবলৈ বাধ্য। চিনেমেটিক গতিৰে নাটকখনৰ কাহিনী আগবাঢ়ে। ডিএছপি অমৰেন্দ্ৰ বৰুৱাৰ প্ৰেম, ভালপোৱা, কৰ্মদক্ষতা, কাৰ্যকুশলতা আৰু ভুল বুজাবুজিৰ বাবে তেওঁ এজন হত্যাকাৰীলৈ ৰূপান্তৰ হৈ নিজকে শেষ কৰি পেলোৱা কাহিনীৰে নাটকখন সজোৱা হৈছে। নাটকখনৰ মূল শক্তিয়েই হৈছে কাহিনী, দৃশ্যবিন্যাস আৰু পৰিচালনা। পৰিচালকে অভিনেতা অভিনেত্ৰীসকলৰ দ্বাৰা উপযুক্ত অভিনয় আদায় কৰাত সফল হৈছে। অমৰেন্দ্ৰ বৰুৱাৰ চৰিত্ৰৰ হিমাংশু ভাৰতী, কৌশিকৰ চৰিত্ৰত কণমনি দাস, ইন্দ্ৰজিত দত্তৰ চৰিত্ৰত সুৰেণ ডেকা, গগনৰ চৰিত্ৰত অংকুৰ ডেকা, ইন্দ্ৰজিত দত্তৰ সহযোগীৰ চৰিত্ৰত নয়ন ডেকা, চতুৰ্ভুজৰ চৰিত্ৰত জ্ঞানেন্দ্ৰ নায়ক, পিতৃৰ চৰিত্ৰত নৱ ডেকা, দিপান্বিতাৰ চৰিত্ৰত ৰিমলী দাস, ৰূপালীৰ চৰিত্ৰত নিকি বৰ্মন, ইন্দ্ৰানীৰ চৰিত্ৰত জোনমনি দাস, আদিৰ অভিনয় শলাগিবলগীয়া।

সুন্দৰ পোহৰ প্ৰক্ষেপণ আৰু আৱহ সংগীত সমৃদ্ধ আত্মাৰ বলিশাল নাটকখনত তিনিটি গীত অন্তৰ্ভুক্ত কৰি দৰ্শকক আন এক সোৱাদ দিয়াৰ চেষ্টা কৰা হৈছে। গীতকেইটি যদিও ইতিপূৰ্বে ভ্ৰাম্যমাণ থিয়েটাৰত ব্যৱহাৰ হোৱা গীত, তথাপিও কাহিনী সাপেক্ষে গীতৰ ব্যৱহাৰে নাটকখনক অন্য এক মাত্ৰা দিছে। মুঠৰ ওপৰত চলিত নাট্যবৰ্ষত মিনি থিয়েটাৰ জগতত প্ৰাঞ্জল এ. শৰ্মাৰ আত্মাৰ বলিশাল এখন সফল আৰু জনপ্ৰিয় নাটক হিচাপে বিবেচিত হৈছে। একেখন নাটকেই যদি ভ্ৰাম্যমাণ থিয়েটাৰতো মঞ্চস্থ কৰা হয়, তেনেহ'লে দৰ্শকে একেই আমোদ পাব বুলি আমাৰ মনে কয়।




# ৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিতা লাষ্টি মিথিৰ স্মৰণত ‘আয়ং’ উন্মোচন



• ইউ.পি.ব্ৰডকাষ্ট এণ্ড পাবলিচিটী

**ৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিতা তিৱা শিপিনী লাষ্টি মিথি'ৰ স্মৃতিত ‘আয়ং’ শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচনী আনুষ্ঠান অনুষ্ঠিত কৰা হয়**

অতুল চন্দ্ৰ ডেকা ন্যাসৰ উদ্যোগত আৰু এচ. এচ. ডেকা মিডিয়া এণ্ড এণ্টাৰটেইণ্টমেণ্টৰ সহযোগত ১২ ডিচেম্বৰত পশ্চিম কাৰ্বি আংলঙৰ উমছোৱাত ‘ৰাষ্ট্ৰীয় সন্মানেৰে বিভূষিতা তিৱা শিপিনী লাষ্টি মিথি'ৰ স্মৃতিত ‘আয়ং’ শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচনী আনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে পোহৰ শিল্পী সমীৰ চৌধুৰী, তিৱা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মহেশ্বৰ পাতৰ, কাৰ্বি আটনমাচ কাউন্সিলৰ কৰ্যবাহী সদস্য উফিং মাছলাই, তিৱা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লালচিং মডাৰ, তিৱা সাহিত্য সভাৰ সম্পাদক ডক্তৰ বিদ্যুৎ বিকাশ সেনাপতি, খৰিকাৰ পৰিচালক আৰু থলুৱা খাদ্যৰ প্ৰচাৰ, প্ৰসাৰৰ গৰাকী অতুল লহকৰ, অতুল চন্দ্ৰ ডেকা ন্যাসৰ পৰা সমীৰণ ডেকা। সভাত লাষ্টি মিথিক স্মৰণ কৰি তেওঁৰ আদৰ্শৰ কথা আলোচনা কৰা হয়। ‘আয়ং’ শীৰ্ষক স্মৃতিগ্ৰন্থনি অতুল চন্দ্ৰ ডেকা ন্যাসৰ পৃষ্ঠপোষক উষা ভড়ালী ডেকাৰ পৃষ্ঠপোষকতাত, পাহাৰে-ভৈয়ামৰ পৰম্পৰাগত তথ্যক লেন্সত আৱদ্ধ কৰা পাহাৰ শিল্পী সমীৰ চৌধুৰীৰ তত্বাবধানত আৰু ‘কোঁৱৰ ভিলা’ উপন্যাস আৰু ‘সংক্ষিপ্ত অনুভৱ'ৰ লেখিকা জানমুন ৰাজকুমাৰীৰ সম্পাদনাত প্ৰকাশ কৰা হৈছে।

# ডিব্ৰুগড়ত খেল মহাৰণ

**ই-সংবাদ, ডিব্ৰুগড়, ১২ ডিচেম্বৰঃ** ৰাজ্যৰ তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক উৎসাহিত কৰি ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত উজ্বলাই তুলিবলৈ অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত পুনৰ অনুষ্ঠিত হৈছে ৰাজ্যৰ ক্ৰীড়া ইতিহাসৰ সৰ্ববৃহৎ প্ৰতিযোগিতা খেল মহাৰণ ২.০ৰ। এই উদ্দেশ্যৰে ডিব্ৰুগড় বিধানসভা সমষ্টিভিত্তিক খেল মহাৰণ ২.০ৰ আজি মানকটা পূজা খেলপথাৰত শুভ-উদ্বাধন কৰে ডিব্ৰুগড় জিলাৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে। এই অনুষ্ঠানত উপস্থিত থাকে পৰ্য্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, জিলা আৰক্ষী অধীক্ষক ভি.ভি ৰাকেশ ৰেড্ডী, অনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, অতিৰিক্ত জিলা আয়ুক্ত চুলতানা আখতাৰা আহমেদ, জিলা ক্ৰীড়া বিষয়া চেমী শইকীয়া প্ৰমুখ্যে ক্ৰীড়া ক্ষেত্ৰত জড়িত বহু গণ্যমান্য ব্যক্তি। ডিব্ৰুগড় বিধানসভা সমষ্টি ভিত্তিক খেল মহাৰণ ২.০ৰ শুভ-উদ্বোধন কৰি বিভিন্ন শাখাৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ অহা প্ৰতিযোগীসকলক একো একোজন সুদক্ষ খেলুৱৈ বুলি অভিহিত কৰি খেলুৱৈসকলক হৰা-জিকাৰ কথা চিন্তা নকৰি কেৱল উন্নতমানৰ খেল প্ৰদৰ্শন আগবঢ়াবলৈ পৰামৰ্শ দিয়ে। ১৫ ডিচেম্বৰলৈকে অনুষ্ঠিত হ'বলগীয়া ডিব্ৰুগড় বিধানসভা সমষ্টি ভিত্তিক খেল মহাৰণ ২.০ ত আজি মানকটা পূজা খেলপথাৰত ১৭ বছৰৰ অনুৰ্দ্ধৰ ল'ৰাৰ ফুটবল আৰু ১৬ বছৰ অনুৰ্দ্ধৰ ল'ৰা আৰু ছোৱালীৰ কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৩ ডিচেম্বৰত ১৭ বছৰ উৰ্দ্ধৰ ল'ৰা আৰু ১৭ বছৰ অনুৰ্দ্ধৰ ছোৱালীৰ ফুটবল প্ৰতিযোগিতা আৰু ২০ বছৰ অনুৰ্দ্ধৰ ল'ৰা আৰু ছোৱালীৰ কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত হব। ১৪ ডিচেম্বৰত মানকটা পূজা খেলপথাৰত ১৭ বছৰ অনুৰ্দ্ধৰ আৰু উৰ্দ্ধৰ লৰা আৰু ছোৱালীৰ এথলেটিক্স ( ১০০ মিটাৰ, ২০০ মিটাৰ আৰু ৪০০ মিটাৰৰ দৌৰ আৰু লং জাম্প) প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উক্ত দিনাই বৈৰাগীমঠস্থিত জালান আউটডৰ ষ্টেডিয়ামত ১৭ বছৰ উৰ্দ্ধৰ আৰু অনুৰ্দ্ধৰ ল'ৰা আৰু ছোৱালীৰ ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৫ ডিচেম্বৰৰ পুৱা ৫ বজাৰ পৰা ১৪ বছৰ অনুৰ্দ্ধৰ ল'ৰা আৰু ছোৱালীৰ লগতে ১৭ বছৰ অনুৰ্দ্ধৰ আৰু উৰ্দ্ধৰ ল'ৰা আৰু ছোৱালীৰ চাইক্লিং প্ৰতিযোগিতা মানকটা পূজা খেলপথাৰৰ পৰা আৰম্ভ হৈ বৰবৰুৱা চাৰিআলিলৈকে আৰু বৰবৰুৱা চাৰিআলিৰ পৰা পুনৰ মানকটা পূজা খেলপথাৰলৈকে অনুষ্ঠিত হ'ব। ১৪ ডিচেম্বৰতে মাল্টি-পাৰপজ ইনড'ৰ ষ্টেডিয়ামত দবাখেল অনুষ্ঠিত হ'ব।



বাংলাদেশৰ বিৰুদ্ধে তৃতীয় এদিনীয়াত ৱেষ্ট ইণ্ডিজৰ আমিৰ জংগোৰ বিস্ফোৰক প্ৰদৰ্শন

## অলিম্পিক আয়োজকৰ মুৰব্বীৰে জয় শ্বাহৰ বৈঠক

# অলিম্পিকত ক্ৰিকেটৰ অন্তৰ্ভুক্তিক লৈ জল্পনা-কল্পনা

**ছিডনী, ১২ ডিচেম্বৰঃ** সুদীৰ্ঘ ১২৮ বছৰৰ পাছত অলিম্পিকলৈ ক্ৰিকেটৰ প্ৰত্যাৱৰ্তনক লৈ ইতিমধ্যে ক্ৰিকেট অনুৰাগীৰ মাজত বৃদ্ধি পাইছে উৎসাহ। ২০২৮ চনৰ লছ এঞ্জেলছ গেমছ টি-২০ ফৰ্মেটত অনুষ্ঠিত হ'ব ক্ৰিকেট। কিন্তু ২০৩২ চনৰ ব্ৰিছবেন অলিম্পিকত ক্ৰিকেটৰ অন্তৰ্ভুক্তি এতিয়াও নিশ্চিত হোৱা নাই। এই অনিশ্চয়তা দূৰ কৰিবলৈ ব্ৰিজবেন অলিম্পিক আয়োজক সমিতিৰ সৈতে আলোচনাত মিলিত হৈছে আইচিচিৰ অধ্যক্ষ জয় শ্বাহ। উল্লেখ্য যে, ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিকলৈ ক্ৰিকেটৰ প্ৰত্যাৱৰ্তনৰ খবৰে ইতিমধ্যে উৎসাহৰ জোৱাৰ তুলিছে। চৰ্চা অনুসৰি, মিয়ামি বা নিউয়ৰ্কত এই খেলখন আয়োজন কৰাৰ পৰিকল্পনা চলি আছে। কিন্তু লছ এঞ্জেলছলৈ ক্ৰিকেটৰ প্ৰত্যাৱৰ্তন ঘটিলেও ২০৩২ চনৰ ব্ৰিজবেন অলিম্পিকত এই খেলবিধ হ'ব নে নহয় সেয়া এতিয়াও অনিশ্চিত হৈ আছে। এই প্ৰেক্ষাপটতে জয় শ্বাহে ব্ৰিছবেন অলিম্পিক আয়োজক সমিতিৰ মুৰব্বী চিণ্ডী হুক আৰু ক্ৰিকেট অষ্ট্ৰেলিয়াৰ চিইঅ' নিক হকলিৰ সৈতে এক বৈঠকত মিলিত হয়। তেওঁ কয় যে ক্ৰিকেটৰ অন্তৰ্ভুক্তিৰ ওপৰত আলোচনাৰ প্ৰক্ৰিয়া ইতিবাচক। এই বৈঠকৰ ফটো আৰু ভিডিঅ' তেওঁ নিজৰ ছ'চিয়েল মিডিয়াত শ্বেয়াৰ কৰে। ইফালে শনিবাৰৰ পৰা ব্ৰিজবেনত আৰম্ভ হ'ব ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত তৃতীয়খন টেষ্ট। জয় শ্বাহ এই মেচত উপস্থিত থকাৰ সম্ভাৱনা আছে। অৱশ্যে তেওঁ প্ৰতিদিনে মেচত উপস্থিত থাকিব নে নাই সেয়া স্পষ্ট হোৱা নাই। অন্যহাতে, চেম্পিয়নছ ট্ৰফীৰ সূচী মুকলিক লৈও এতিয়া বৃদ্ধি পাইছে চাপ। প্ৰতিযোগিতাৰ দিন চমু চাপি আহিছে যদিও এতিয়াও কোনো চূড়ান্ত সূচী ঘোষণা কৰা নাই আইচিচিয়ে। এই বিষয়টো জয় শ্বাহৰ বাবেও প্ৰত্যাহ্বান হৈ পৰিছে।

# নগাঁৱৰ কটহগুৰিত দিবা-নৈশ ক্ৰিকেট

**ই-সংবাদ, বেৰেজীয়া, ১২ ডিচেম্বৰঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ টুকটুকীৰ কটহগুৰিত তিনিদিনীয়াকৈ এখনি দিবা-নৈশ প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাখনি কটহগুৰি যুৱ সংঘৰ সৌজন্যত আৰু কে পি এল ছিজন-০২ পৰিচালনা সমিতিৰ উদ্যোগত কটহগুৰি মহাবিদ্যালয় খেলপথাৰত অহা ১৫, ১৬ আৰু ১৭ ডিচেম্বৰত অনুষ্ঠিত হ'ব। ৰাজ্যৰ কেইবাটাও আগশাৰীৰ দলৰ লগতে প্ৰতিযোগিতাখনিত বহিঃৰাষ্ট্ৰ ভুটানৰ ক্ৰিকেট দলেও অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত বিজয়ী দলক ট্ৰফীৰ লগতে নগদ এক লাখ টকা আৰু বিজিত দলক ট্ৰফীৰ সৈতে নগদ পঞ্চাশ হাজাৰ টকা প্ৰদান কৰা হ'ব। তদুপৰি দৰ্শকৰ মনোৰঞ্জনৰ নিমিত্তে আমন্ত্ৰিত আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানৰো ব্যৱস্থা কৰা হৈছে বুলি খেল পৰিচালনা সমিতিৰ সভাপতি ফাইজ উদ্দিন আহমেদ আৰু সম্পাদক মতিবুৰ ৰহমান(বাবলু)য়ে জানিবলৈ দিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি